ডিগবৈ মহাবিদ্যালয়
DIGBOI COLLEGE
विद्या ददाति विनयं
ESTD 1965

# মঞ্জৰী

প্ৰথম সংখ্যা, জুন ২০১৫

সোণালী জয়ন্তী বৰ্ষ



সম্পাদক ঃ অজয় আচাৰ্য্য
নয়নমণি গগৈ

উপদেষ্টা ঃ সীমান্ত বৰদলৈ

# মঞ্জৰী

প্ৰথম সংখ্যা, জুন, ২০১৫

সোণালী জয়ন্তী বৰ্ষ

ESTD 1965

অসমীয়া বিভাগ

ডিগবৈ মহাবিদ্যালয়, ডিগবৈ

প্ৰতি,

শ্ৰী / শ্ৰীমতী ..........................................................................................

..........................................................................................................

\- সম্পাদক




# সম্পাদনা সমিতি

উপদেষ্টা ঃ

সীমান্ত বৰদলৈ

সম্পাদক ঃ

অজয় আচাৰ্য্য, নয়নমণি গগৈ

সদস্য ঃ

পদ্মা গড়, পূজা বৰুৱা, জেউতি মৰাণ

বেটুপাত ঃ

দেৱৰ্ষি গগৈ

মুদ্ৰক ঃ

সনেকা প্ৰেছ, ডিগবৈ

ফোন নং - ০৩৭৫১-২৬৪৩৯২

**Dr. Dip Saikia**
Principal
Digboi College, Digboi

Phone & Fax : 03751-264414
Email : digboicollege@yahoo.com
Website : www.digboicollege.com

# শুভেচ্ছা

নতুন বছৰটোৰ তৃতীয় দিনৰ কথা। আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে মোলৈ এখন আবেদন পত্ৰ লিখি জনাইছে যে তেওঁলোকে 'মঞ্জৰী' নামেৰে এখন আলোচনী প্ৰকাশৰ দিহা কৰিছে আৰু তাৰ বাবে মোৰ এটি শুভেচ্ছাবাণী বিচাৰিছে। বছৰ এটিৰ আৰম্ভণিতে মনটো ন-চিন্তা, ন-পৰিকল্পনাৰ উন্মেষৰ অৰ্থে দোদুল্যমান হয়। মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীণ উৎকৰ্ষ সাধনৰ বাবে কিবা এটা নতুন কাম কৰাৰ বাবে মন উদ্বেগিত হয়। তেনে এক ক্ষণতে অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ 'পোন প্ৰথম বাৰৰ বাবে এখন আলোচনী প্ৰকাশৰ পৰিকল্পনাৰ কথা জানি বৰ সন্তোষ পালোঁ। অসমীয়া বিভাগৰ এই কাৰ্য্যকৰী দৰ্শনীয় পদক্ষেপৰ বাবে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। অসমীয়া বিভাগৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীৰ সমন্বিতে সকলোৰে প্ৰতি মোৰ এক বদ্ধমূল ধাৰণা আছে। মই ভাবোঁ তেওঁলোকে অসমীয়া ভাষাত যি কোনো লিখা শুদ্ধ ৰূপত লিখিব পাৰে। মনৰ ভাব লিখাৰূপত সহজে প্ৰকাশ কৰিব পাৰে। কোনো এজনে অসমীয়া বিষয়টো তেওঁৰ পাঠ্যক্ৰমৰ প্ৰধান (সন্মান) বিষয় ৰূপে মনে চিতে গ্ৰহণ কৰাৰ সূত্ৰে তেওঁ অসমীয়া ভাষা সাহিত্যৰ পৰিচৰ্যা তথা পৰিশীলনৰ বাবে যি কষ্টসাধ্য অনুশীলনৰ প্ৰয়োজন তাত কায়মনোবাক্যে ব্ৰতী হয়।

অসমীয়া বিভাগৰ তদাৰকত এখন সাহিত্যালোচনী প্ৰকাশৰ যো-জা কৰাৰ কথাই মন ৰোমাঞ্চিত কৰিছে। ভাৱীকালৰ এদল ন লিখক-লিখিকাৰ কলমৰ কুচকাৱাজৰ লগে লগে অসমীয়া বিষয়ক প্ৰধান বিষয় ৰূপে গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ উপৰিও ভাষাটোক মাতৃভাষা ৰূপে অধ্যয়ন কৰা অনান্য ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যক্ৰমৰ নিয়মিত পঢ়া শুনাৰ লগতে গল্প, কবিতা, ৰচনাদি সৃজনীশীল লিখা-মেলাৰ প্ৰতি মন মেলিব।

সংস্কৃতৰ পৰা অহা অসমীয়াৰ নাম বাচক শব্দ 'মঞ্জৰী'ৰ অৰ্থ অংকুৰ বা গজালি বা কিশলয় বা কুঁহিপাত। অসমীয়া সাহিত্যৰ কঠীয়া তলীত এই অমূল্য অৰ্থ কাৰ্যত সাৰ্থক হওঁক। ঠন ধৰি উঠক লহপহকৈ বাঢ়ক। শুভকামনাৰে .....


ড° দীপ শইকীয়া
অধ্যক্ষ
ডিগবৈ মহাবিদ্যালয়

# শুভেচ্ছা

অসমীয়া বিভাগৰ স্নাতক ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে বিভাগীয় আলোচনী 'মঞ্জৰী' প্ৰকাশৰ বাবে আগবাঢ়িছে বুলি জানিব পাৰি আনন্দিত হৈছোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ এনে সুন্দৰ প্ৰচেষ্টাৰ শলাগ ললোঁ। বিভাগীয় আলোচনীসমূহ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা প্ৰকাশৰ এটি উত্তম মাধ্যম। ডিগবৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ইতিহাসত 'মঞ্জৰী'য়েই হ'ব ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা প্ৰকাশিত প্ৰথম আলোচনী। আশাকৰোঁ 'মঞ্জৰী'ৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান, চিন্তা, কল্পনা আৰু অনুভূতি সুন্দৰভাৱে প্ৰতিফলিত হ'ব। আজিৰ 'মঞ্জৰী' অৰ্থাৎ অংকুৰেই ভৱিষ্যতে বটবৃক্ষত পৰিণত হওঁক। মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

**দীপা শৰ্মা বৰঠাকুৰ**
*বিভাগীয় মুৰব্বী*
**অসমীয়া বিভাগ**
**ডিগবৈ মহাবিদ্যালয়**

# সম্পাদকীয়......



পৃথিৱীৰ প্ৰত্যেক জাতিৰেই নিজস্ব ভাষা আছে আৰু সেইভাষাৰ মাধ্যমত জাতিৰ সাহিত্য গঢ়ি উঠে। সাহিত্যই এটা জাতিক প্ৰগতিৰ দিশত আগুৱাই নিয়ে। সাহিত্যক সমাজৰ তথা জাতিৰ দপোণ বোলা হয়। এটা জাতিৰ প্ৰথম পৰিচয় পোৱা যায় সাহিত্যৰ যোগেদি। মানুহৰ সুখ-দুখ, হাঁহি-কান্দোন, আৱেগ-অনুভূতি, জীৱনৰ ঘাত-প্ৰতিঘাত ইত্যাদিকে ধৰি সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি দিশৰ প্ৰতিফলন ঘটে সাহিত্যৰ মাজেদি। সাহিত্যৰ অবিহনে এটা জাতিয়ে কেতিয়াও নিজৰ অস্তিত্ব ৰক্ষা কৰিব নোৱাৰে। প্ৰাচীন কালৰ পৰা ক্ৰমবিকশিত হোৱা অসমীয়া ভাষা আৰু সাহিত্যই হেজাৰ হেজাৰ বছৰৰ ঘাত-প্ৰতিঘাতৰ মাজেদি উত্তৰণ ঘটি বৰ্তমানৰ অৱস্থা পাইছেহি।

ভাষা হৈছে সাহিত্য সৃষ্টিৰ এক অপৰিহাৰ্য অংগ। ভাষা মানৱ মনৰ আত্মপ্ৰকাশৰ এক মাধ্যম। ভাষা নোহোৱাকৈ সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে। কিন্তু, সাহিত্যৰ অবিহনে ভাষা থাকিব পাৰে। ভাষাবিদ এৰিষ্টটলৰ মতে, "ভাষাই মনৰ অভিজ্ঞতাক প্ৰতিনিধিত্ব কৰে"। মানুহে ভাষাৰ সহায়ত নিজৰ সুখ-দুখ, আৱেগ-অনুভূতি তথা সমাজৰ বিভিন্ন পৰিৱেশৰ ওপৰত সাহিত্য সৃষ্টি কৰে। সাহিত্যৰ লগত জাতি আৰু সংস্কৃতিৰ অতি ঘনিষ্ঠ সম্পৰ্ক আছে। জাতিৰ বাৰেবৰণীয়া সংস্কৃতি প্ৰতিফলিত হয় সাহিত্যৰ মাজেদি। প্ৰাচীন কালৰে পৰা পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰা বিভিন্ন জাতি-গোষ্ঠীৰ লোক ভাৰতবৰ্ষলৈ আগমন ঘটে। অনাৰ্যসকলৰ পাছত অহা আৰ্যসকলৰ পৰা সম্ভৱত অসমীয়া ভাষাৰ সৃষ্টি হৈছিল। আৰ্যসকলৰ বিভিন্ন জাতি-প্ৰজাতিৰ সমন্বয় সাধনৰ ফলত অসমীয়া ভাষাৰ সৃষ্টি হৈছিল বুলি ধাৰণা কৰিব পাৰি। আদি যুগৰ চৰ্যাপদ, মন্ত্ৰসাহিত্যৰ পৰা আৰম্ভ কৰি ব্যাকৰণ, অভিধান, গল্প, কবিতা, আলোচনী, উপন্যাস, বুৰঞ্জী, সমালোচনা সাহিত্য, ব্যংগ্যাত্মক সাহিত্য আদি বহুতো সাহিত্যৰ ধাৰাৰ মাজেদি বৰ্তমান যুগলৈকে অসমীয়া সাহিত্যই প্ৰতিষ্ঠা লাভ কৰিছে।

অসমীয়া ভাষা উদ্ধাৰ আৰু অসমীয়া সাহিত্যৰ ৰচনাৰ নিদৰ্শন দি থৈ যোৱা সুদূৰ আমেৰিকাৰ পৰা অসমলৈ অহা খ্ৰীষ্টীয়ান মিছনেৰীসকলৰ অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৰদান উল্লেখযোগ্য। তেওঁলোকৰ আটাইতকৈ উল্লেখনীয় অৰদান হ'ল 'অৰোণোদই' (অৰুনোদয়) কাকত। ১৮৪৬ চনত মিছনেৰীসকলে প্ৰকাশ কৰা এই কাকতৰ যোগেদিয়েই অসমীয়া সাহিত্য ৰচনাৰ বিভিন্ন ধাৰাৰ সৃষ্টি হৈছিল বিশেষকৈ অনুবাদ সাহিত্য আৰু বুৰঞ্জী ৰচনাৰ। অপ্ৰমাদী কবি মাধৱকন্দলি, শংকৰী যুগৰ কবি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱকে আৰম্ভ কৰি হেমচন্দ্ৰ, গুনাভিৰাম আৰু ৰোমান্টিক যুগৰ ত্ৰিমূৰ্তি লক্ষ্মীনাথ বেজবৰুৱা, আনন্দচন্দ্ৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামীকে ধৰি অনেক মহান কবি সাহিত্যিকৰ প্ৰচেষ্টাত অসমীয়া ভাষা-সাহিত্য তথা অসমীয়া জাতিয়ে বৰ্তমানৰ পৰ্যায় লাভ কৰিছে। অসমীয়া সাহিত্যৰ ৰোমান্টিক ভেটি নিৰ্মাণত যিদৰে 'জোনাকী কাকত'ৰ অৰদান আছে। ঠিক সেইদৰে বিভিন্ন সময়ত প্ৰকাশ পোৱা কাকত আলোচনীয়ে সাহিত্যৰ বিভিন্ন স্তৰ প্ৰতিষ্ঠা কৰি অসমীয়া সাহিত্যক এক উচ্চ স্থান প্ৰদান কৰে।

সাহিত্য বৰ্তমান সু-সভ্য জগতৰ এক অপৰিহাৰ্য অংগ। সময়ে সময়ে হোৱা পৰিৱৰ্তন, মানুহৰ চিন্তা ধাৰা ইত্যাদিক সাহিত্যৰ বুৰঞ্জীয়ে জনাত সহায় কৰে। গতিকে সাহিত্য অবিহনে আমি যেন প্ৰতি ক্ষেত্ৰতে আধৰুৱা হৈ ৰওঁ।

ডিগবৈ মহাৰিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰথম মুখপত্ৰ হৈছে 'মঞ্জৰী'। বহুদিনীয়া প্ৰচেষ্টাৰ ফলত আমি এই আলোচনী প্ৰকাশ কৰিবলৈ সক্ষম হৈছোঁ। শিক্ষাৰ্থীসকলৰ আগ্ৰহ, প্ৰেৰণা আৰু সাহিত্যিক প্ৰতিভা বিকাশৰ উদ্দেশ্যে 'মঞ্জৰী' প্ৰকাশ কৰি উলিওৱা হৈছে। সকলো ছাত্ৰ-ছাত্ৰীৰেই নিজস্ব কিছুমান সুপ্ত প্ৰতিভা থাকে যাক বিকাশ কৰিবলৈ ছাত্ৰ-ছাত্ৰীয়ে সুযোগ লাভ নকৰে। সেয়েহে আমাৰ আশা এই আলোচনীখনে বহু ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ নিজৰ প্ৰতিভাক প্ৰকাশ কৰাত সহায় কৰিব।

'মঞ্জৰী', যাৰ অৰ্থ কুঁহিপাত অৰ্থাৎ কুমলীয়া পাত। পাত এখনে যিদৰে কুমলীয়া অৱস্থাৰ পৰা পূৰঠ বা পূৰ্ণাঙ্গ অৱস্থা পায়। মানুহৰ জ্ঞানেও কুমলীয়া অৱস্থাৰ পৰা পূৰ্ণাঙ্গ ৰূপ পায়। কুমলীয়া অৱস্থাত যদি পাত এখনে সঠিক পোহৰ লাভ কৰে আৰু গছজোপাই সঠিক সাৰ পানী যোগান ধৰে তেতিয়া সেই পাতখন সতেজ, ধুনীয়া আৰু পূৰঠ হৈ পৰে। যদিহে লাগতিয়াল বস্তু লাভ নকৰে বা পোক -পৰুৱাই অনিষ্ট কৰে তেতিয়া পাতখিলা কোঁচ খাই যায় বা যিমান সুন্দৰ হ'ব লাগে সিমান নহয়। ঠিক সেইদৰে মানুহৰ ক্ষেত্ৰতো একেই হয়। সৰুতেই ভাল শিক্ষা

নাপালে বা উচিত দিশেৰে গতি নকৰিলে কেতিয়াও উচ্চ শাৰীত বা ভাল মানুহৰ শাৰীত থিয় হ'ব নোৱাৰে। গতিকে আমি আমাৰ জ্ঞানক কুঁহিপতীয়া অৱস্থাৰ পৰাই সঠিক দিশেৰে প্ৰয়োগ কৰি আগবঢ়ায় নিব লাগে।

সীমিত অভিজ্ঞতাৰে আমি 'মঞ্জৰী'ৰ সম্পাদকৰ কাম কিমান সঠিক আৰু নিৰ্ভুলভাৱে কৰিব পাৰিছোঁ নাজানো। আমি নজনাকৈয়ে আলোচনীখনৰ ভিতৰত বহুতো ভুল-ত্ৰুটি ৰৈ যাব পাৰে তাৰ বাবে আমি শিক্ষাগুৰু, বন্ধু - বান্ধৱী আৰু ভাইটি- ভন্টি সকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

আৰ্থিক সমস্যাৰ পৰা আৰম্ভ কৰি বহুতো সমস্যাৰ মজেদি অতিক্ৰম কৰি এই আলোচনীখন প্ৰকাশ কৰি উলিওৱা হৈছে। 'মঞ্জৰী' আলোচনীখন মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ ( ২০১৪-২০১৫) এক শুভ ক্ষণত প্ৰকাশ কৰিবলৈ পাই আমি গৌৰৱান্বিত।

**কৃতজ্ঞতাৰ শৰাই ঃ**

'মঞ্জৰী' প্ৰকাশৰ ক্ষেত্ৰত সততে সহায় পৰামৰ্শ আৰু আৰ্থিক সাহাৰ্য আগবঢ়াই অনুপ্ৰাণিত কৰা বিভাগীয় মুৰব্বী দীপা শৰ্মা বৰঠাকুৰ বাইদেউ, জ্যেষ্ঠ শিক্ষক পূৰ্ণানন্দ শইকীয়া চাৰ, অচ্যুত শইকীয়া চাৰ, ড° মৃণাল কুমাৰ গগৈ চাৰ আৰু সীমান্ত বৰদলৈ চাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। 'মঞ্জৰী' প্ৰকাশৰ ক্ষেত্ৰত প্ৰেৰণা, শুভেচ্ছাবাণী আৰু আৰ্থিক সাহাৰ্য আগবঢ়াই উপকৃত কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপ শইকীয়া চাৰলৈ আন্তৰিক কৃতজ্ঞতা থাকিল। 'মঞ্জৰী' ৰ বেটুপাত অংকণ কৰি 'মঞ্জৰী' ৰ সৌষ্ঠৱ বৃদ্ধি কৰাত সহায় কৰা বাণিজ্য বিভাগৰ অদ্যাপক দেৱৰ্ষি গগৈ চাৰলৈও কৃতজ্ঞতা থাকিল। 'মঞ্জৰী' প্ৰকাশৰ বিভিন্ন দিশত সহায় - সহযোগিতা আগবঢ়াই উপকৃত কৰা অসমীয়া বিভাগৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈও এই ছেগতে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এই আলোচনীয়ে ছাত্ৰ-ছাত্ৰীসকলক মনোৰঞ্জনৰ লগতে আগ্ৰহ আৰু প্ৰেৰণা দান কৰিব বুলি আশা কৰিলোঁ।

জয়তু অসমীয়া বিভাগ।
জয়তু ডিগবৈ মহাবিদ্যালয়।

**অজয় আচাৰ্য্য**
**নয়ণমনি গগৈ**
*সম্পাদক* 'মঞ্জৰী'
'অসমীয়া বিভাগ' ডিগবৈ মহাবিদ্যালয়

# সূচীপত্ৰ

**প্ৰবন্ধ**


☞ বয়ঃসন্ধিকালৰ মাদকতা আৰু প্ৰত্যাহ্বান / বিনীতা বৰপাত্ৰ গোহাঁই / ১
☞ তামোল-পাণ আৰু অনেক / পাপৰি চেতিয়া / ৪
☞ নাৰী - শিক্ষাৰ প্ৰাসংগিকতা / ৰিমা দাস / ৫
☞ আজিৰ কন্যা কাইলৈ এগৰাকী আদৰ্শ মাতৃ / চয়নিকা নাথ / ৮
☞ লোক - সাহিত্যত 'বিয়ানাম' / মনিকা সোনাৰ / ৯
☞ দেৱকান্ত বৰুৱাৰ জীৱন আৰু কৃতি / অজয় আচাৰ্য্য / ১১
☞ হেম বৰুৱাৰ জীৱন আৰু সাহিত্য / পূজা বৰুৱা / ১৪
☞ খৰাং আৰু অসমীয়া লোক বিশ্বাস / নয়নমণি গগৈ / ১৭
☞ মৰাণসকলৰ ৰাতিবিহু / জেউতি মৰাণ / ১৮
☞ মাজুলী / জোনমনি বৰা / ২০
☞ কৰম পূজা / পদ্মা গড় / ২৩


**গল্প**


☞ সপোন / গিতুমণি চেতিয়া / ২৫
☞ প্ৰতিবন্ধী / পল্লৱজ্যোতি মৰাণ / ২৬


**কবিতা**


☞ ঈশ্বৰ / সীমান্ত বৰদলৈ / ২৯
☞ আহাঁ সমনীয়া যাওঁ আমি পোহৰ বিচাৰি / গিতুমণি চেতিয়া / ৩০
☞ তোমাক হেৰুৱাৰ বেদনাত / কৰবী ডেকা / ৩১
☞ ৰক্ত কেতেকী / শ্যামল হাজৰিকা / ৩১
☞ ডিগবৈ মহাবিদ্যালয় / অজয় আচাৰ্য্য / ৩২
☞ জীৱনৰ বাটত / প্ৰাঞ্জল দেউৰী / ৩৩
☞ শিল / পদ্মা গড় / ৩৩
☞ মই নাৰী এই শতিকাৰ / চিলামনি ৰাজবংশী / ৩৪
☞ মোৰ প্ৰেমৰ নমুনা / বিকাশ ডেকা মৰাণ / ৩৪
☞ স্ৰোতস্বিনীৰ শংকা / অঞ্জুমণি মৰাণ / ৩৫

☞ অসমৰ কেইগৰাকীমান বিশিষ্ট কবি সাহিত্যকৰ ছদ্মনাম / ৩৬

# বয়ঃসন্ধিকালৰ মাদকতা আৰু প্ৰত্যাহ্বান

✍ *বিনীতা বৰপাত্ৰ গোহাঁই*
*স্নাতক ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ*

মানৱ জীৱনৰ বয়সন্ধি ( Adolescence ) সময়ছোৱা অতি মাদকতাৰে ভৰপূৰ। তাৰ বিপৰীতে ইয়াক প্ৰতিজনেই প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিবলগীয়া হয়। বিখ্যাত মনোবিজ্ঞানী Stanly Hall এ এই সময়ছোৱাক Storm and Strees বুলি আখ্যা দিছে। সাধাৰণতে বয়ঃসন্ধি বুলি কলে ১২ বছৰৰ পৰা ১৮ বছৰৰ বয়সৰ কালছোৱাকে বুজা যায়। গতিকে বয়ঃ সন্ধি কালছোৱা এনে এক সময় যিটো সময় শৈশৱো নহয় প্ৰাপ্তবয়স্কও নহয়। সেইকাৰণে এই সময়ছোৱাৰ বিষয়ে বিশেষভাৱে অধ্যয়ন কৰাৰ প্ৰয়োজন আহি পৰিছে। কিয়নো এই সময়ছোৱাত অপৰাধ প্ৰৱণতা আৰু আচৰণবিধিৰ সমস্যা আটাইতকৈ বেছি হোৱা দেখা যায়। বৰ্তমান সময়ত ৰাগিয়াল বস্তু সেৱন কৰা আচৰণ, আত্মহননৰ নিচিনা গুৰু অপৰাধ, এতিয়া বয়ঃসন্ধি কালৰ ছাত্ৰ-ছাত্ৰীৰ মাজত নিত্য নৈমিত্তিক ঘটনাত পৰিণত হৈছে। এই অপৰাধ বাঢ়ি থাকিলে ভৱিষ্যতৰ বাবে এখন সুস্থ-সবল সমাজৰ কল্পনা কৰাটো অমূলক হ'ব। এই অপৰাধ প্ৰৱণতাৰ নিশ্চয় কাৰণ নথকা নহয়। মনোবিজ্ঞানীসকলৰ মতে এই বয়সৰ ল'ৰা-ছোৱালীয়ে কিছুমান মানসিক সমস্যাত ভোগে যেনে আধুনিক জীৱন যাত্ৰাৰ ধামখুমিয়াত কোনো কোনোৱে হীনমন্যতাত ভুগে, কোনোৱে আকৌ হতাশাত ভুগে। আকৌ অন্য কিছুমান অহংকাৰী হয়। কিছুমানে পিতৃ-মাতৃৰ অসুখী সম্পৰ্কৰ কাৰণে মানসিক উত্তেজনাত ভুগে। বহুতেই পিতৃ-মাতৃৰ পৰা (বিবাহ বিচ্ছেদ) আতৰি থাকিবলগীয়া হোৱাৰ কাৰণে অকলশৰীয়া অনুভৱ কৰে। কিন্তু ইয়াৰ কাৰণবোৰ যিয়েই নহওঁক কিয়, এই অপৰাধ প্ৰৱণতাৰ পৰা বচাবৰ কাৰণে আমাৰ কৰণীয়খিনি নিশ্চয় নুই কৰিব নোৱাৰো। যদি এই বয়সৰ বৈশিষ্ট্যখিনি ছালি-জাৰি চোৱা হয় নিশ্চয় তাৰ পৰিত্ৰাণৰ কিছু উপায় উদ্ভাৱন হ'ব বুলি আমাৰ দৃঢ় বিশ্বাস।

মনোবিজ্ঞানীসকলৰ মতে বয়সত মানসিক বা বৌদ্ধিক বৃদ্ধি সাংঘাতিক ধৰণে হয়। গতিকে তেওঁলোকৰ এই মানসিক বৃদ্ধিত যাতে বাধা নপৰে তাৰ বাবে পিতৃ-মাতৃ, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী বিশেষভাৱে সচেতন হ'ব লাগে যাতে মানসিক বা বৌদ্ধিক বিকাশৰ বাবে এটা আনন্দমুখৰ পৰিৱেশ সজাই

তুলিব লাগে। পিতৃ-মাতৃয়ে সন্তানক প্ৰথমতে নিজক ভাল পাবলৈ শিকাব লাগে। যেতিয়া নিজক ভাল পাব স্বাভাৱিকতে সেই ছাত্ৰজনে নিজৰ দায়িত্ববোধ আৰু কৰ্তব্যবোধ বুজি পাব।

ৰূপান্তৰে প্ৰগতি আনে ; ই ধ্ৰুৱ সত্য। কিন্তু আমি এনে ৰূপান্তৰ গ্ৰহণ কৰিব লাগিব যিটো ছাত্ৰ ছাত্ৰীৰ বৌদ্ধিক বিকাশত সহায়ক হয়। কাৰণ বৰ্তমান যুগত আমি টি.ভি, কম্পিউটাৰ, ইন্টাৰনেট, ম'বাইল ফোন আদি মাধ্যমবিলাকৰ সুবিধাৰ পৰা কাকো বঞ্চিত কৰিব নোৱাৰো। কিয়নো তাৰ সুফল বিলাক আমাৰ ছাত্ৰ ছাত্ৰীসকলে নাপালে অন্য দেশৰ ছাত্ৰ ছাত্ৰীৰ তুলনাত পিচ পৰি থাকিব। বৰ্তমান এই মাধ্যমবিলাকৰ সু-প্ৰয়োগ নোহোৱাৰ কাৰণেই যে আমাৰ ছাত্ৰ-ছাত্ৰীসকল বিপথগামী হৈছে এই কথাটো সকলোৱে একে মুখে স্বীকাৰ কৰিব। গতিকে এই মাধ্যমবিলাকৰ কুফলৰ পৰা আমাৰ ছাত্ৰ-ছাত্ৰীক বচাবৰ বাবে কেৱল পুথিগত অৰ্থাৎ টিউচন সৰ্বস্ব শিক্ষাৰ মাজতে আবদ্ধ নাৰাখি তেওঁলোকৰ সুপ্ত প্ৰতিভাসমূহ বিকাশৰ বাবে চিন্তা চৰ্চা কৰাৰ সময় আহি পৰিছে। সেইবিষয়ে আমাৰ ব্যক্তিগত অনুভৱবিলাক প্ৰকাশ কৰাৰ প্ৰয়াস কৰা হৈছে।

**খেল ধেমালি ঃ** মনোবিজ্ঞানীসলৰ মতে যিহেতু বয়ঃ সন্ধি সময়ছোৱাত মানসিক বা বৌদ্ধিক বিকাশৰ সাংঘাতিক সমস্যাসমূহ আঁতৰ কৰি সৃষ্টিশীল কামত জড়িত কৰাবলৈ চেষ্টা কৰিব লাগে। এই সময়ছোৱাত শাৰীৰিক বিশেষকৈ শৰীৰৰ উদ্দীপনা বৃদ্ধি কৰা অংগসমূহৰ বিকাশ হয়। সেয়ে মনৰ চঞ্চলতা বাঢ়ে আৰু সমাজৰ নীতি বৰ্হিভূত কাম কৰিবলৈ আগ্ৰহী হয়। যদিহে তেওঁলোকক শাৰীৰিক বৃদ্ধিৰ খেলসমূহ যেনে - বেডমিন্টন, ফুটবল, ক্ৰিকেট, ভলীবল, হকী আদিত একাণপতীয়াকৈ অনুশীলন কৰাব পৰা যায়, তেনেহলে শৰীৰত উদ্দীপনা বৃদ্ধিৰ অংগসমূহৰ অনুভূতিবিলাক দমন হ'ব। তদুপৰি তেঁওলোকৰ মনত একতা, ভাতৃত্ববোধ আৰু দলগতভাৱে কাম কৰাৰ স্পৃহা আদি গুণবিলাকৰ বিকাশ হ'ব আৰু এইবিলাকৰ জৰিয়তে এজন সুস্থ সবল নাগৰিক হিচাপে ভৱিষ্যতে চিনাকী দিব পাৰিব। ইয়াৰ উপৰিও খেলৰ যোগেদি দূৰদৰ্শিতা, সমস্যা সমাধান, পৰিকল্পিতভাৱে কাম কৰা, যুক্তি - যুক্তভাৱে চিন্তা কৰা ইত্যাদি গুণবিলাকৰ আয়ত্ব কৰি ল'ব পাৰিব। সেইবিলাকে তেওঁলোকক যি কোনো কামত সফলতা অৰ্জন কৰাত সহায় কৰে।

**সুকুমাৰ কলা ঃ** এই বয়সৰ ছাত্ৰ - ছাত্ৰীয়ে দিবাস্বপ্নত বিভোৰ হৈ থাকে। যেনে - ক্ৰিকেট খেলত অতি দুৰ্বল জনেও সৌৰভ গাঙ্গুলীৰ সপোন ৰচি ঠিক তেনেধৰণে থাকিবলৈ বিচাৰে। যিটোৱে তেওঁলোকৰ সৃষ্টিশীল কামত ব্যাঘাত জন্মায়। সেইকাৰণে দিবাস্বপ্ন হানিকাৰক বুলি কোৱা হয়। ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ অভ্যাস কৰোৱাব পাৰিলে কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহ বাঢ়িব। তদুপৰি সাধু কথা পঢ়িলে কল্পনা শক্তি বাঢ়ে। এইদৰে লাহে লাহে ছাত্ৰ - ছাত্ৰীয়ে গল্প, উপন্যাস, মহৎ লোকৰ জীৱনী আদি পঢ়িবলৈ হাবিয়াস কৰিব পাৰে।

সেইদৰে চিত্ৰকলাৰ জৰিয়তে মনত কল্পনা কৰা বিষয়সমূহ ৰং তুলিকাৰে আঁকি প্ৰকাশ কৰিলে তেওঁলোকৰ সুপ্ত প্ৰতিভাসমূহ জাগ্ৰত হ'ব আৰু সময়ৰ লগে লগে সেইবিলাক পূৰ্ণাঙ্গ ৰূপত বিকশিত হৈ চিত্ৰশিল্পীলৈ নিজকে উত্তৰণ ঘটাব পাৰিব। সংগীত চৰ্চাত বিশেষকৈ মনোনিৱেশ কৰিব পাৰিলেও বয়ঃ সন্ধি কালৰ ছাত্ৰ-ছাত্ৰীসকল উপযুক্ত হ'ব পাৰে। সংগীতে ছাত্ৰ- ছাত্ৰীৰ মনৰ অকলশৰীয়া ভাব দূৰ কৰিব পাৰে।

**কৰ্ম সংস্কৃতি ঃ** বৰ্তমান আধুনিক জীৱন প্ৰণালীৰ আটাইতকৈ উল্লেখনীয় সমস্যাটো হৈছে যে পিতৃ-মাতৃ, অভিভাৱক সকলোৱে বিজ্ঞানৰ অমূল্য অৱদান বিলাকৰ সোৱাদ ল'বলৈ গৈ সম্পূৰ্ণৰূপে যান্ত্ৰিক জীৱনৰ বলী হোৱাৰ ফলত কৰ্ম সংস্কৃতি বিলুপ্ত হৈছে। এই ব্যৱস্থাটোৱে একপ্ৰকাৰে সন্তানক পিতৃ-মাতৃৰ পৰা আঁতৰাই ৰাখিছে বিশেষকৈ নগৰাঞ্চলত। চাকৰিয়াল পিতৃ-মাতৃয়ে সন্তানক বহু সময় লগ দিব নোৱাৰে। কৰ্ম - সংস্কৃতিয়ে ছাত্ৰ-ছাত্ৰীক পৰিয়ালৰ সকলো সুখ, দুখ, অভাৱ-অনাটনৰ অংশীদাৰ হ'বলৈ শিকাই। সেইকাৰণে সৰুৰে পৰাই নিজৰ কামবোৰ নিজকে কৰিবলৈ দিব লাগে। এনেকৈ অনুশীলন কৰিব পাৰিলেহে ভৱিষ্যতে আজৰি সময়ৰ সৎ ব্যৱহাৰ কৰিব পাৰিব। তদুপৰি কৰ্মৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ মনত এটা সেৱাৰ মনোভাৱ গঢ় লৈ উঠে। পৰিয়ালৰ কাৰণে ঘৰখনত কৰা ইটো - সিটো কামৰ যোগেদি যিটো আনন্দ অনুভৱ কৰে সেই আনন্দই পিছলৈ দেশ সেৱাত ব্ৰতী হোৱাত সহায় কৰে।

**আধ্যাত্মিক জ্ঞান ঃ** আধ্যাত্মিক জ্ঞানৰ অভাৱেও বয় ঃসন্ধি কালৰ ছাত্ৰ - ছাত্ৰীৰ মাজত ইতিবাচক ভূমিকা লোৱা দেখা যায়। এই বয়সৰ প্ৰায় ছাত্ৰ - ছাত্ৰীয়ে অদৃশ্য শক্তি সৰ্বশক্তিমান ঈশ্বৰৰ অস্তিত্ব মানি ল'ব নোখোজে। যিটোৰ কাৰণে তেওঁলোকৰ আত্মবিশ্বাসৰ অভাৱ দেখা যায়। আত্মবিশ্বাসেই হৈছে উন্নতিৰ সোপান। আত্মবিশ্বাস হোৱাৰ লগে লগে যিকোনো কামত দৃঢ়তাৰে লাগিব পাৰিব আৰু তেতিয়া সাধাৰণতে বয়সন্ধি সময়ছোৱাত সন্মুখীন হোৱা যিকোনো সমস্যাৰ লগত মোকাবিলা কৰিব পাৰিব।

**উপযুক্ত পৰামৰ্শদাতা ঃ** সন্তানৰ কাৰণে পিতৃ-মাতৃয়েই আচল পৰামৰ্শদাতা। কিন্তু কেতিয়াবা সহজ-সৰল, অনভিজ্ঞ পিতৃ-মাতৃয়ে কৌশলগতভাৱে নিজৰ সন্তানক পৰিচালনা কৰিব নজনাৰ দোষতো কোনো ছাত্ৰ-ছাত্ৰী বাট এৰি অবাটে যোৱা দেখা যায়। গতিকে সময় আৰু পৰিস্থিতিৰ তাগিদাত আমাৰ জীৱন প্ৰণালী যিহেতু সলনি হৈছে। গতিকে মানসিক চিন্তাধাৰাৰে আমি উত্তৰণ ঘটাব লাগিব। সেই কাৰণে ছোৱালী আৰু মাতৃক আৰু ল'ৰা আৰু পিতৃক বেলেগে বেলেগে পৰামৰ্শ দিয়াৰ প্ৰয়োজনীয়তা আমি অনুভৱ কৰোঁ। বিশেষকৈ অভিজ্ঞ ব্যক্তি তথা মনোবিজ্ঞানীৰ যোগেদি। Health is wealth এই বাক্যশাৰীৰ যথাৰ্থতা হৃদয়ঙ্গম কৰিব পাৰিলেই আমি এখন সুস্থ-সবল সৰ্বাঙ্গসুন্দৰ সমাজৰ আশা কৰিব পাৰোঁ।

❖ ❖ ❖ ❖

# তামোল-পাণ আৰু অনেক

✍ পাপৰি চেতিয়া
স্নাতক দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

অসমীয়া জাতীয় জীৱনত তামোল-পাণৰ স্থান ইমানেই উচ্চ যে ই লোক-সংস্কৃতিৰ প্ৰতিটো দিশৰ লগত সংলগ্ন হৈ আছে। আহাৰ খাই উঠি তামোল - পাণ খোৱাটো আৰু ঘৰলৈ অতিথি আহিলে পোনতে তামোল এখনেৰে অভ্যৰ্থনা জনোৱাটো প্ৰতিজন অসমীয়াৰ ধৰা-বন্ধা ৰীতি। অসমীয়া সমাজৰ বিবিধ ধৰ্ম অনুষ্ঠান আৰু সামাজিক লোকাচাৰতো তামোল - পাণে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। তামোল - পাণ খোৱাৰ ক্ষেত্ৰত কোনো বাধা - নিষেধ নাই। অসমীয়া সমাজত সকলো বয়সৰ পুৰুষ মহিলাৰ ই অতি প্ৰিয় মুখদি।

অসমীয়া সমাজত বৈবাহিক অনুষ্ঠানত তামোল - পাণ অত্যাৱশ্যকীয়। তামোল - পাণৰ বঁটা বা শৰাইত এবটা তামোল - পাণ আগবঢ়াই বিবাহ আদি সামাজিক অনুষ্ঠানৰ কথা - বতৰা আৰম্ভ কৰা হয় আৰু সমাজৰ আশীৰ্বাদ বিচৰা হয়। আকৌ অসমীয়া সমাজে তামোল - পাণৰ শৰাই আগবঢ়াই ক্ষমা-ভিক্ষা কৰাৰ ৰীতিও প্ৰচলিত আছে।

বৰ্তমানৰ উপৰিও আহোম ৰাজত্ব কালতো ৰজাসকলৰ মাজত তামোল - পাণ বহুলভাৱে ব্যৱহাৰ হৈছিল। আহোম যুগত ৰাজ-পৰিয়ালত তামোল - পাণৰ ব্যৱহাৰ ইমান ব্যাপক আছিল যে ৰজাক তামোল যতনাই দিবৰ বাবে 'তামুলী লগুৱা'ৰো ব্যৱস্থা আছিল।

তামোল - পাণক প্ৰিয়জনলৈ প্ৰেমৰ আদান-প্ৰদানৰ মাধ্যম হিচাপেও আখ্যা দিয়া হয়। লোকগীত প্ৰবচন আদিত তামোল - পাণৰ ব্যাপক উল্লেখে এই সামগ্ৰীবিধ অসমীয়া জাতীয় জীৱনত কিদৰে জড়িত হৈ আছে তাকে প্ৰতীয়মান কৰে। চমুকৈ ক'বলৈ গলে অসমীয়া সমাজত তামোল - পাণৰ বিশেষ প্ৰচলন আৰু আদৰ আছে। প্ৰাত্যহিক জীৱনত তামোল - পাণ অবিহনে অসমীয়া সমাজ অচল। দৈনন্দিন ব্যৱহাৰৰ উপৰিও বিভিন্ন ধৰ্মানুষ্ঠান, বৈবাহিক সম্বন্ধ স্থাপন নাইবা ঘৰলৈ অতিথি আমন্ত্ৰণ আদি ক্ৰিয়া - কাণ্ডতো তামোল - পাণ অপৰিহাৰ্য।

মুঠতে তামোল - পাণে অসমীয়া সমাজ আৰু সংস্কৃতিত মানুহৰ জন্মৰ পৰা মৃত্যুলৈকে পালিত বিভিন্ন আচাৰ অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে।

❖❖❖❖

# নাৰী - শিক্ষাৰ প্ৰাসংগিকতা

✍ ৰিমা দাস
স্নাতক ষষ্ঠ ষাণ্মাসিক অসমীয়া বিভাগ

ভাৰতীয় সামাজিক প্ৰেক্ষাপটত মহিলাসকল সামাজিক আৰু অৰ্থনৈতিক দিশত পুৰুষৰ তুলনাত পিছপৰা বুলি কোৱা হয়। কিন্তু মহিলাসকল পুৰুষৰ সমানেই সমাজৰ এক অবিচ্ছেদ্য অংগ। মহিলাৰ অবিহনে পুৰুষৰ কোনো অস্তিত্ব নাই আৰু পুৰুষৰ অবিহনে মহিলাৰো কোনো অস্তিত্ব নাই। সেয়ে পুৰুষ আৰু মহিলা একেটা মুদ্ৰাৰে দুটা পিঠিৰ নিচিনা। পুৰুষে যিদৰে সমাজৰ বিকাশত অৰিহণা যোগায়। এখন দেশ বা সমাজৰ উন্নতি অথবা অৱনতি বহুলাংশে নিৰ্ভৰ কৰে সেই দেশৰ নাৰীৰ প্ৰগতিৰ ওপৰত। আজিৰ কন্যা ভৱিষ্যতৰ মাতৃ। বৰ্তমান সংকটময় জীৱন-যাত্ৰাত নাৰী-শিক্ষা আৰু ইয়াৰ সৎ ব্যৱহাৰৰ ওপৰতেই পৰিয়ালৰ সুখ-শান্তি আৰু ৰাষ্ট্ৰৰ প্ৰগতি নিৰ্ভৰ কৰে। পণ্ডিত জৱাহৰলাল নেহৰুৱে এই ক্ষেত্ৰত সঠিক গুৰুত্ব আৰোপ কৰিয়ে কৈছিল যে এজন ল'ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষিত কৰি তোলা, কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে হ'ল এটা পৰিয়ালক শিক্ষিত কৰি তোলা।

স্বাধীনতাৰ পৰৱৰ্তী কালত অৱশ্যে নাৰীৰ প্ৰতি থকা সামাজিক দৃষ্টিভংগী বহুখিনি পৰিৱৰ্তন হৈছে। বৰ্তমান নাৰীৰ শিক্ষাৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছে। আৰ্থিক দিশত তেওঁলোকৰ ভূমিকাৰ প্ৰতি যি দৃষ্টিভংগী আছিল সেইখিনিৰো বহুখিনি পৰিৱৰ্তন ঘটিছে। এতিয়া ছোৱালীয়ে সকলো প্ৰকাৰৰ চাকৰি কৰাত ৰক্ষণশীল মনোভাৱ নাই। তেওঁলোকে নানা ধৰণৰ বৃত্তিমূলক চাকৰিত যোগ দিবলৈ আগবাঢ়ি আহিছে। স্বাধীনভাৱে ব্যৱসায় - বাণিজ্য কৰিবলৈকো ওলাইছে। এইদৰে নিজৰ উপাৰ্জনৰ ওপৰত নিৰ্ভৰ কৰি চলিবলৈকো যত্ন কৰিছে।

কিন্তু এইখিনি পৰিৱৰ্তনে যথেষ্ট হোৱা নাই। শিক্ষাই হওঁক বা চাকৰিয়েই হওঁক যিখিনি পৰিৱৰ্তন এতিয়ালৈকে হৈছে সেইখিনি বেছিভাগ নগৰবাসী উচ্চ জাতি আৰু উচ্চ শ্ৰেণীৰ মাজতেই সীমাবদ্ধ হৈ আছে। গাঁওবাসী খেতিয়ক, দুখীয়া শ্ৰেণী, নিম্ন শ্ৰেণী জনজাতিসকলৰ মাজৰ পৰা শিক্ষিতা আৰু চাকৰিয়াল মহিলা সিমান ওলাই অহা নাই। সেইবোৰ সমাজত নাৰীৰ আৰ্থ - সামাজিক

অৱস্থা এতিয়াও অতি শোচনীয়। দিনটোত হাড়ভঙা কাম কৰিও সামান্য ভাত-কাপোৰৰ বাবে তেওঁলোকে অশেষ কষ্টত জীৱন কটাবলগীয়া হৈছে। সমগ্ৰ দেশতে এনে অৱস্থাৰ নাৰীয়েই বেছি।

ভাৰতত স্ত্ৰী-পুৰুষৰ শিক্ষিতৰ হাৰৰ মাজত যথেষ্ট ব্যৱধান আছে। এই ব্যৱধানৰ প্ৰধান কাৰণ হ'ল সামাজিক, ৰাজনৈতিক আৰু পুৰুষ প্ৰধান সমাজৰ মনোভাৱ। পুৰুষ আৰু নাৰীৰ মাজত থকা এই ব্যৱধান আঁতৰোৱাৰ একমাত্ৰ উপায় হ'ল সমাজৰ সকলো নাৰীকে প্ৰকৃতাৰ্থত শিক্ষিত কৰি তোলা। আমাৰ নাৰীসকল এতিয়াও নানা ধৰণৰ কু-সংস্কাৰ, অন্ধ-বিশ্বাস, ধৰ্মীয় গোড়ামি, সংকীৰ্ণতা, যৌতুক প্ৰথা, বাল্য-বিবাহ আদিৰ দৰে ৰক্ষণশীল সামাজিক প্ৰথাৰ বলি হৈয়ে আছে। গণতান্ত্ৰিক ভাৰতৰ সংবিধানত স্ত্ৰী আৰু পুৰুষৰ মাজত কোনো বিভেদ ৰখা হোৱা নাই। কিন্তু বাস্তৱ ক্ষেত্ৰত ভাৰতীয় নাৰীয়ে সচেতনতা আৰু সজাগতাৰ অভাৱত এই অধিকাৰ ভোগ কৰিব জনা নাই। পুৰুষ প্ৰধান সমাজত পুৰুষৰ দ্বাৰাই তেওঁলোক এতিয়াও শোষিত আৰু নিষ্পেষিত হৈ আছে। নাৰী যিমানেই উন্নতিৰ পথত অগ্ৰসৰ নহওঁক কিয়, পুৰুষ শাসিত সমাজত তেওঁলোকৰ স্থান সদায় তলত। আৰ্থিক দিশতো নাৰীসকল পুৰুষৰ ওপৰত নিৰ্ভৰশীল। এই সকলোবিলাক দিশ চালি-জাৰি চাই এইটো স্পষ্টকৈ ক'ব পাৰি যে নাৰীসকল উপযুক্ত শিক্ষাৰে শিক্ষিত হৈ উঠিলেহে সমাজত নাৰী পুৰুষৰ মাজত থকা এই বৈষম্য আঁতৰ কৰা সম্ভৱ হ'ব।

স্ত্ৰী-শিক্ষাৰ এই প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি দেশত ব্যাপক হাৰত স্ত্ৰী-শিক্ষাৰ প্ৰচলন কৰিবলৈ তলত উল্লেখ কৰা দিশসমূহত অধিক গুৰুত্ব আৰোপ কৰিব লাগিব।

১। স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যাসমূহ বৈজ্ঞানিক দৃষ্টিভংগীৰে অধ্যয়ন আৰু বিশ্লেষণ কৰি সমাধান কৰিবলৈ যত্ন কৰিব লাগে।

২। স্ত্ৰী-শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে বিভিন্ন দিশৰ পৰা ব্যাপক প্ৰচাৰ-কাৰ্য আৰু জনমত গঠনত গুৰুত্ব দিব লাগে।

৩। শিক্ষাৰ ক্ষেত্ৰত থকা লিংগ বৈষম্য নাইকিয়া কৰিবৰ বাবে সহ-শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

৪। প্ৰাথমিক শিক্ষাৰ সম্প্ৰসাৰণৰ কাৰণে অধিক শিক্ষয়িত্ৰী নিয়োগ কৰিব লাগে। প্ৰশিক্ষণৰ সুবিধা বঢ়াব লাগে। গ্ৰামাঞ্চলৰ ছাত্ৰীসকলক বিনামূলীয়া কিতাপ-পত্ৰ, পোছাক, দুপৰীয়াৰ আহাৰ আদি যোগান দিব লাগে।

৫। প্ৰত্যেক মহকুমাৰ সদৰ ঠাইত একোখন চৰকাৰী ছোৱালী হাইস্কুল বা উচ্চতৰ মাধ্যমিক স্কুল পাতিব লাগে। দুৰণিবটীয়া ছাত্ৰীসকলৰ বাবে ছাত্ৰী-নিবাসৰ ব্যৱস্থা কৰিব লাগে।

৬। মহিলা শিক্ষাৰ ক্ষেত্ৰত থকা বিৰাগ মনোভাৱ তথা ৰক্ষণশীল মনোভাৱ আঁতৰাবৰ বাবে আলোচনা চক্ৰ, প্ৰদৰ্শনী, সভা-সমিতি, কথাছবি, টি.ভি আদি মাধ্যম ব্যৱহাৰ কৰি

মানুহৰ মাজত সচেতনতা বৃদ্ধি কৰিব লাগে।

৭। সমাজত স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰত থকা কু-সংস্কাৰ আৰু অন্ধবিশ্বাস আঁতৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

৮। সকলো সময়তে মহিলাক গৃহকৰ্মত নিয়োগ নকৰি তেওঁলোকৰ আহৰি সময়খিনিৰ সফল প্ৰয়োগৰ ব্যৱস্থা কৰিব লাগে।

৯। মহিলাসকলক অৰ্থনৈতিকভাৱে স্বাৱলম্বী আৰু আত্মনিৰ্ভৰশীল কৰি তুলিবৰ বাবে উৎপাদনমূলক, বৃত্তিমূলক শিক্ষা প্ৰদান কৰিব লাগে। শিক্ষানুষ্ঠানত মহিলাক হস্তশিল্প, কুটীৰ শিল্প অৰ্থাৎ সূতা কটা কাপোৰ বোৱা, উল গোঁঠা, চিলাই কৰা, কাপোৰত ৰং দিয়া, কাপোৰত ডিজাইন প্ৰস্তুত কৰা আদি বিষয়সমূহ শিকোৱাৰ ব্যৱস্থা কৰিব লাগে।

১০। সমাজৰ পৰা প্ৰাপ্তবয়স্ক নিৰক্ষৰ মহিলাৰ হাৰ কমাবৰ বাবে প্ৰাপ্তবয়স্ক শিক্ষাকেন্দ্ৰ স্থাপন কৰিব লাগে।

১১। মহিলা শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে অধিক মনোযোগ দিব লাগে আৰু প্ৰত্যেকটো পৰিকল্পনাত আছুতীয়াভাৱে আৰ্থিক সাহাৰ্য্য প্ৰদানৰ ব্যৱস্থা কৰিব লাগে।

১২। গ্ৰামাঞ্চল আৰু দুৰ্গম অঞ্চলৰ মহিলা শিক্ষাৰ উন্নতি সাধনৰ বাবে শিক্ষানুষ্ঠানলৈ অহা-যোৱা কৰিবলৈ যাতায়ত ব্যৱস্থা সুচল কৰি তুলিব লাগে।

সামৰণিত ক'ব পাৰি যে গণতান্ত্ৰিক সমাজ এখনত মৰ্যাদা বৃদ্ধি কৰি নাৰীয়ে নিজকে মানুহ হিচাপে প্ৰতিষ্ঠিত হ'বলৈ হ'লে প্ৰত্যেক গৰাকী নাৰীয়ে উপযুক্ত শিক্ষা পাবই লাগিব। সমাজত চলি থকা নানা ধৰণৰ কুসংস্কাৰ, নাৰী নিৰ্যাতন, শোষণ, বঞ্চনা আদি সকলোৰে মূলতে হ'ল নাৰীৰ নিৰক্ষৰতা। প্ৰকৃততে এটা জাতিৰ অন্তৰাত্মাক আৱিস্কাৰ কৰিবলৈ হ'লে সেই জাতিটোৰ পুৰুষৰ লগতে নাৰীৰ শৈক্ষিক, ৰাজনৈতিক, অৰ্থনৈতিক মৰ্যাদাৰ ওপৰত গুৰুত্ব দিব লাগিব। তাৰ কাৰণে লাগিব শিক্ষা। ভাৰতৰ দৰে গণতান্ত্ৰিক দেশ এখনৰ উত্তৰ পুৰুষচামক ভৱিষ্যতৰ বাবে সুস্থ- সবল সুনাগৰিক কৰি গঢ়ি দেশ আৰু জাতিৰ সমৃদ্ধি আৰু বিকাশত আগবঢ়াই নিবলৈ হ'লে নাৰীয়ে উপযুক্ত শিক্ষা পাবই লাগিব।

❖ ❖ ❖ ❖

"নিজৰ ওপৰত বিশ্বাস ৰাখিব পাৰিলে পৃথিৱীত ভয় কৰাৰ কোনো কাৰণ নাথাকে। সততা, নিষ্ঠা, প্ৰেম আৰু বিশ্বাসৰ দ্বাৰা সকলো জয় কৰিব পাৰি।"

— সত্যনাথ বৰা

# আজিৰ কন্যা কাইলৈ এগৰাকী আদৰ্শ মাতৃ

✍ চয়নিকা নাথ
স্নাতক দ্বিতীয় ষান্মাসিক, অসমীয়া বিভাগ

আমি সকলোৱে অৱগত যে আমাৰ দেশ আৰু জাতি এটা সময়ত পিছ পৰি থকাৰ মূল কাৰণ আছিল সেই সময়ত শিশু কন্যাসকলক শিক্ষিত আৰু সুৰক্ষিত নাছিল। পৰিয়ালৰ কন্যা সন্তানৰ ওপৰত কাম বনৰ ক্ৰমবৰ্ধমান বোজা, সা - সুবিধা বিতৰণৰ ক্ষেত্ৰত ছোৱালী আৰু ল'ৰা সন্তানৰ প্ৰতি অসমান ব্যৱহাৰ, ছোৱালীসকলক উপেক্ষাকৃতভাৱে কম বয়সত বিয়া দিয়াৰ নিয়ম, অৰ্থনৈতিক অনগ্ৰসৰতা আৰু অন্ধ বিশ্বাস আদিয়েই আছিল ইয়াৰ প্ৰধান কাৰণ। কন্যা সন্তানৰ সুৰক্ষাৰ লগত কন্যা সন্তানৰ শিক্ষা ওতঃপ্ৰোতভাৱে সম্বন্ধ আছে।

কন্যা সন্তানৰ শিক্ষাৰ অবিহনে যে এখন সমাজৰ প্ৰগতি অসম্ভৱ, এই সত্য নতুন নতুন গৱেষণা আৰু সমীক্ষাৰ দ্বাৰা পুনঃ পুন উপলব্ধ হৈছে। কন্যা শিশুক সুশিক্ষিতা কৰিলে বৰ্তমান বিৰাজমান কু-সংস্কাৰ, অন্ধ বিশ্বাস আদি লুপ্ত হোৱাতো প্ৰায় নিশ্চিত। এগৰাকী কন্যা ভৱিষ্যতে এগৰাকী মাতৃ হলে তেওঁ নিজৰ লগতে পৰিয়ালৰ স্বাৰ্থৰ সম্পৰ্কে অধিক সচেতন হ'ব। পুষ্টিকৰ খাদ্য যোগান ধৰা, পৰিষ্কাৰ - পৰিচ্ছন্ন পৰিৱেশৰ সৃষ্টি কৰা, বেমাৰৰ প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণ কৰা, শিশুক স্বাস্থ্যৰ সম্পৰ্কে শিক্ষা দিয়া আৰু আজিৰ জটিল পৰিস্থিতিত নিজকে কেনেকৈ বচাই ৰাখিব লাগিব এই সকলোবোৰ প্ৰাথমিক জ্ঞান দিয়াৰ দায়িত্ব পালন কৰিব এগৰাকী শিক্ষিতা তথা আদৰ্শ মাতৃয়েহে।

আমাৰ দেশ ভাৰতবৰ্ষত ইংৰাজ শাসকসকলৰ পৰাই কন্যা সন্তানক শিক্ষা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰি অহা হৈছে। বৰ্তমান চৰকাৰেও কন্যা সন্তানৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। সেইবোৰৰ ভিতৰত কন্যা সন্তানক বিনামূলীয়া শিক্ষাদান, বিভিন্ন বৃত্তিৰ ব্যৱস্থা গ্ৰহণ কৰা, বিনামূলীয়া পোছাক, ছাতি, চাইকেল আদি যোগান ধৰা ইত্যাদি। তদুপৰি ছাত্ৰীৰ বাবে সুকীয়া শিক্ষানুষ্ঠান গঢ়া, শিক্ষানুষ্ঠানত ছাত্ৰীৰ বাবে জিৰণি ঘৰ উন্নত প্ৰস্ৰাৱ আৰু শৌচাগাৰৰ ব্যৱস্থা কৰা। আনকি মহিলা যাত্ৰীৰ বাবে সুকীয়া আসনৰ ব্যৱস্থা আদি পৰ্যন্ত কৰিছে। এই ব্যৱস্থাসমূহে মহিলা শ্ৰেণীক বৌদ্ধিক আৰু শৈক্ষিক দিশত যথেষ্ট আগবঢ়াই নিছে। এনেবোৰ আঁচনিত সচেতন ৰাইজ আৰু অনুষ্ঠানসমূহে সহযোগিতা আগবঢ়াব লাগে।

আজিৰ কন্যা ভৱিষ্যতে এগৰাকী আদৰ্শ মাতৃ। এগৰাকী নাৰী নিজ বৈশিষ্ট্যনুযায়ী যিমানেই শিক্ষা, আচাৰ - ব্যৱহাৰ, মেধা, কৰ্মদক্ষতা, সামাজিক আৰু ৰাজনৈতিক দায়বদ্ধতা আদিত আগবাঢ়িব সিমানেই গৃহ জীৱনৰ পৰা আৰম্ভ কৰি সমাজ জীৱনৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়তো আগবাঢ়িব পাৰিব। সেয়ে নাৰীসকলৰ সুৰক্ষা নিশ্চিত কৰাতো বৰ্তমান অধিক প্ৰয়োজনীয় হৈ পৰিছে কাৰণ আজিৰ কন্যা, কাইলৈ এগৰাকী আদৰ্শ মাতৃ।

❖ ❖ ❖ ❖

# লোক - সাহিত্যত 'বিয়ানাম'

✍ মনিকা সোনাৰ
স্নাতক চতুৰ্থ ষাম্মাসিক, অসমীয়া বিভাগ

লোক - সাহিত্য লোকসমাজৰ স্বচ্ছ দাপোন স্বৰূপ। লোক সাহিত্যৰ মাজেদি প্ৰতিফলিত হয় লোকমনোধৰ্মী বিভিন্ন লোকবিশ্বাসৰ প্ৰতিচ্ছবি। বৰ্ণিল অসমীয়া লোক-সাহিত্যৰ এক মূল্যৱান সম্পদ হ'ল লোক গীতসমূহ। বিভিন্ন সমালোচকৰ মতে সকলো ভাষাৰ লিখিত আৰু পৰিমাৰ্জিত সাহিত্য সৃষ্টি হোৱাৰ আগতে লোকসমাজত মৌখিক গীত-নৃত্যৰ মাজেদিয়েই জনসমাজে জীৱনৰ আশা-নিৰাশা, প্ৰেম-বিৰহ, হৰ্ষ-বিষাদ আদি ভাব ফুটাই তুলিছিল। গতিকে অসমীয়া ভাষা - ভাষী লোকসকলৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম হোৱা নাছিল।

অসমীয়া লোক-সাহিত্যৰ লোকগীতৰ এক অন্যতম অংগ বিয়ানামসমূহ। এই বিয়ানামসমূহ নাৰীকেন্দ্ৰিক। নাৰীকেন্দ্ৰিক এই 'বিয়ানাম' অসমীয়া লোকসাহিত্যৰ বৰ ভঁৰালৰ এখোটালি মণিকী-মধুৰী জহা, যাক পাহৰিব নোৱাৰা গোন্ধই আয়তীসকলক আপোন পাহৰা কৰি ৰাখিব পাৰে। জোৰোণ আহোঁতে, দৰা আদৰোঁতে, কন্যা হোমৰ গুৰিত বহোঁতে, সুৱাগ তোলোতে আৰু কন্যা উলিয়াই দিওঁতে আয়তীসকলে বিধে বিধে গীত গায়। দাম্পত্য জীৱনৰ আদৰ্শ, নাৰী জীৱনৰ কল্পনা, আশা-আকাংক্ষা, বিচ্ছেদৰ কাৰুণ্য, নাৰী মনৰ আবেগ বিয়ানামত পাৰ বাগৰি আহিছে। নাৰীৰ সৰল কল্পনা শক্তি, ভাৱৰ মাধুৰ্য, কোমল শব্দ যোজনৰ বাবেই বিয়ানামবোৰ অতি হৃদয়স্পৰ্শী।

উজনি-নামনি উভয় অঞ্চলতে দুই শ্ৰেণীৰ বিয়ানাম শুনিবলৈ পোৱা যায়। এক শ্ৰেণীৰ গহীন আৰু ৰুচিপূৰ্ণ। এই শ্ৰেণীৰ গীতত বিভিন্ন পৌৰাণিক চৰিত্ৰসমূহৰ বিবাহৰ বৰ্ণনাদি আৰু সেই চৰিত্ৰসমূহ বৰ-কন্যাত আৰোপ কৰি আয়তীসকলে বিয়াঘৰত এটি গহীন আৰু কৰুণ পৰিৱেশৰ সৃষ্টি কৰে। কাৰুণৰ লগতে ইয়াত কিন্তু হাস্যৰসো ফুটি উঠে। হোমৰ গুৰিত দৰা-কইনা লৈ বহোঁতে এফালে দুজনৰ মিলন, আনফালে বিচ্ছেদৰ কাৰুণ্য। এই দুই আনন্দ-বিষাদৰ মাজত আয়তীসকলে এবাৰ হাঁহে, এবাৰ কান্দে —

*'জাত-ম'ৰা চৰাই চালি ধৰে ঘৰৰ চালত পৰি।*
*আজি আইদেউ গুচি যাবা ঘৰ উদং কৰি ॥*
নাম - *একেলগে একে সঙ্গে আছিলোঁ উমলি*
*আমাক এৰি ক'লৈ যোৱা আমাৰে ঐ সখি।'*

হাঁহি-অশ্ৰুৰ এনে মিলন অতি কৰুণ আৰু বিচিত্ৰ। দ্বিতীয় শ্ৰেণী গীতক সাধাৰণতে

যোৰানাম বোলা হয়। নামনি অসমত এনে গীতক 'খিচা-গীত' বোলে। এই গীতৰ সুৰ লঘু আৰু বৰ্ণনাও হাস্য ৰসাত্মক। দৰা বা কন্যাঘৰীয়াক জোকাই আনন্দ উপভোগ কৰাই এই গীতসমূহৰ উদ্দেশ্য।

*'অ' জিৰা জালুক*
*দৰাৰে দাদাকজন অৰণ্যৰ ভালুক।*
*লাউৰ পাত লৰে*
*দৰাৰে দাদাকে ধনৰ গৰ্বত মৰে।'*

পুৰণি অসমীয়া সমাজত 'পোহন বিয়া' আৰু 'তোলনি বিয়া' দুবিধ বিয়ানাম শুনিবলৈ পোৱা গৈছিল যদিও বৰ্তমান সময়ত তাৰ প্ৰচলন নাইকীয়া হৈ গৈছে। নৱবধুৰ গৰ্ভধাৰণ কৰা সময়ৰ পৰা নিদিষ্ট অষ্টম মাহত পালন কৰা 'পোহন বিয়া' এটি অন্যতম অনুষ্ঠান। এই অনুষ্ঠানে জীৱন, শান্তি আৰু উৰ্বৰতাৰ ইংগিত বহন কৰে। তোলনি বিয়া হৈছে বালিকা প্ৰথম ৰজস্বলা হোৱা উৎসৱ। আগৰ দিনত বাল্যকালত বিয়া দিয়া ছোৱালীৰ শান্তি হোৱাৰ পিছত শাস্ত্ৰমতে যি বিয়া পতা হয় তাক তোলনি বিয়া বোলে।

বিয়ানামৰ প্ৰসংগত ভেকুলী বিয়াৰ নামবোৰৰ কথা উল্লেখ নকৰিলে যেন আধৰুৱা হ'ব। জনবিশ্বাস অনুসৰি খৰাং বতৰৰ ত্ৰাণকৰ্তা বৰুণ দেৱতাক বৰষুণ দিবলৈ খাটি ভেকুলী বিয়া পতা হয়। ভেকুলী বিয়াৰ নামবোৰ নিৰ্দোষ ধেমালি আৰু ওপৰুৱা কল্পনাৰ ছাঁত ৰচিত। আয়তীসকলে গায় -


*'ভেকুলীৰ বিয়ালৈ*
*আহে ইন্দ্ৰদেৱে*
*বতাহ বৰষুণত তিতি*
*স্বৰ্গৰ অপেচৰী*
*নামি আহিছে*
*ভেকুলীৰ বিয়া শুনি'।*

বিয়ানামবোৰ অতি সহজ- সৰল। ৰচনাৰ সৰলতা, কল্পনাৰ কমনীয়তা, উপমা, অনুপ্ৰাস, ঘৰুৱা জীৱনৰ প্ৰাঞ্জল চিত্ৰ, ছন্দ, হাস্যৰস, কাৰুণ্যই বিয়ানামবোৰৰ সাহিত্যিক জেউতি দুগুণে চৰাইছে। কিন্তু অতি পৰিতাপৰ কথা যে বৰ্তমানৰ সমাজত লোকগীতৰ ভঁৰাল চহকী কৰা এই বিয়ানামবোৰ অসমীয়া সমাজৰ পৰা হেৰাই যোৱাৰ উপক্ৰম হৈছে। বৰ্তমান সময়ত এই বিয়ানাম মুখেৰে গোৱাৰ পৰিৱৰ্তে কেছেট বজাই শুনোৱাৰ এটা আধুনিক মানসিকতাই দেখা যায়। ইয়াৰ কাৰণ 'বিয়ানামৰ অভাৱ নহয়, বিয়াঘৰত বিয়ানাম গোৱা আয়তী লোপ পোৱাটো হ'ব পাৰে। গতিকে আজিৰ সমাজে সংকল্প ল'ব লাগিব যে, আমি আমাৰ অস্তিত্ব জীয়াই ৰাখিবলৈ, সংস্কৃতিক ধৰি ৰাখিবলৈ তাৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্ব দিয়াটো প্ৰয়োজনীয়। তেহে এই লোকগীত মাতবোৰ যুগ-যুগলৈ অসমীয়া লোক-সংস্কৃতিৰ ভেঁটি সুদৃঢ় কৰি ৰাখিবলৈ সক্ষম হ'ব।

**সহায়ক গ্ৰন্থ ঃ**

ক) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত -
ড° সত্যেন্দ্ৰনাথ শৰ্মা।
খ) অসমীয়া লোকগীত সঞ্চয়ন -
হেমন্ত কুমাৰ শৰ্মা।

❖ ❖ ❖ ❖



# দেৱকান্ত বৰুৱাৰ জীৱন আৰু কৃতি

✍ অজয় আচাৰ্য্য
স্নাতক চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ

অসমীয়া কবিকুলত 'কলংপৰীয়া কবি' ৰূপে প্ৰসিদ্ধি লাভ কৰা চিনাকি কবিজনেই হ'ল দেৱকান্ত বৰুৱা। দেৱকান্ত বৰুৱাৰ জন্ম হয় ১৯১৪ চনৰ ২২ ফেব্ৰুৱাৰীত। তেখেতৰ পিতৃ আছিল নগাঁৱৰ মৰঙী বৰুৱাৰ বংশধৰ নীলকান্ত বৰুৱা আৰু মাতৃ আছিল স্বৰ্ণলতা বৰুৱানী। পিতৃ-মাতৃৰ চাৰিটি সন্তানৰ ভিতৰত দেৱকান্ত আছিল জ্যেষ্ঠ সন্তান। তেখেতৰ পিতৃ এগৰাকী স্কুল পৰিদৰ্শক আছিল আৰু চাকৰি সূত্ৰে তেওঁ অসমৰ ইমুৰৰ পৰা সিমুৰলৈ বদলি হ'বলগীয়া হোৱাত দেৱকান্ত বৰুৱাই অসমৰ বিভিন্ন ঠাইত শিক্ষা গ্ৰহণ কৰোঁতে পোনতে বৰপেটা প্ৰাইমাৰী স্কুলত আনুষ্ঠানিক শিক্ষা আৰম্ভ কৰিছিল। অৱশ্যে পৰৱৰ্তী কালত মানিক চন্দ্ৰ এম. ই স্কুল, কটন কলেজ আদি শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ কৰি শেষত ১৯৩০ চনত নগাঁও চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয় আৰু উচ্চ শিক্ষাৰ বাবে বেনাৰচ হিন্দু বিশ্ববিদ্যালয়লৈ যায়। এই বিশ্ববিদ্যালয়ৰ পৰা তেওঁ ১৯৩৫ চনত বি. এ আৰু ১৯৩৭ চনত এল. এল. বি পাছ কৰে। ১৯৪৩ চনত প্ৰিয়লতা বৰুৱাৰ সৈতে বিবাহ পাশত আৱদ্ধ হয়।

দেৱকান্ত বৰুৱা কবি হিচাপে সকলোৰে পৰিচিত। অথচ তেওঁ এগৰাকী কবিয়েই নাছিল তেওঁ আছিল একাধাৰে মুক্তি যোদ্ধা, ৰাজনীতিবিদ আৰু সাংবাদিক। গতিকে তেওঁৰ জীৱন পৰিক্ৰমাক এক বৰ্ণিল জীৱন হিচাপে আখ্যা দিয়াৰ থল আছে।

অসমীয়া কবিকুলৰ সকলোৰে পৰিচিত কবি দেৱকান্ত বৰুৱাৰ একমাত্ৰ কবিতা সংকলন হ'ল 'সাগৰ দেখিছা'। ১৯৪৮ চনত প্ৰকাশিত এইখন কবিতা পুথিৰ জৰিয়তে দেৱকান্ত বৰুৱাদেৱে অসমীয়া কবিতা জগতত এক আলোড়ন সৃষ্টি কৰিছিল। তেওঁৰ 'সাগৰ দেখিছা' কবিতাপুথিৰ প্ৰায়বিলাক কবিতাতে গভীৰ

ভালপোৱাৰ আৱেগ ফুটি উঠিছে। এই ভালপোৱাৰ উৎস হ'ল কোনো এক ৰূপহী গাভৰু। অথাৎ তেওঁৰ কবিতাৰ মূল উৎস হ'ল এগৰাকী যৌৱনপ্ৰাপ্ত ৰূপহী গাভৰুৰ প্ৰতি উদয় হোৱা কবি মনৰ প্ৰেমৰ আকুলতা। কবি দেৱকান্তৰ প্ৰেমৰ ধাৰাই ৰোমান্টিক কবিতাৰ পৰা আধুনিকতাৰ বাস্তৱমুখী ধাৰালৈ গতি কৰিছে। সেয়েহে তেওঁ নিজৰ অন্তৰৰ কোনো কথাকে প্ৰাণখুলি কবলৈ সংকোচ কৰা নাই। তাৰ বাবেই প্ৰিয়াৰ লগত হোৱা মিলন-বিৰহক গভীৰভাৱে উপলব্ধি কৰি তাক বাস্তৱ ৰূপত কাব্য শৈলীৰে উপস্থাপন কৰিছে এনেদৰে -

"এতিয়াই যাবা ঘৰলৈ?
কিয়? কেনেবাকে কোনোবাই
যদি সাৰ পায়
তুমি গোলাপৰ আজি লভিছো পৰশ প্ৰিয়া!
কাঁইটৰ শংকা মোৰ নাই।"
- ('কলংপাৰত মাজনিশা')

দেৱকান্ত বৰুৱাৰ কবিতাত এহাতে যিদৰে প্ৰেমৰ ভাব প্ৰতিফলিত হৈছে আনহাতে 'লাচিত বৰফুকন'ৰ দৰে আন কিছুমান কবিতাত জীতায় জীৱনৰ স্বৰূপটো ফঁহিয়াই চাবলৈ যত্ন কৰিছে। এনেধৰণৰ জাতীয় ভাৱসম্পন্ন কবিতাৰ মাধ্যমেৰে কবিয়ে অসমীয়া মানুহৰ স্বাৰ্থপৰতা, নীচতা-হীনতাৰ তীব্ৰ সমালোচনা কৰাৰ প্ৰয়াস কৰিছে। তেওঁৰ কবিতাত ৰবাৰ্ট ব্ৰাউনিঙৰ নাটকীয় স্বগতোক্তিৰ প্ৰয়োগ ঘটাটো অসমীয়া কবিতাৰ এক লেখত ল'বলগীয়া বৈশিষ্ট্য। এই নাটকীয় স্বগতোক্তিয়ে অসমীয়া কবিতাক গদ্যধৰ্মী অভিনৱ ৰূপ দান কৰিছে।

দেৱকান্ত বৰুৱাদেৱ আছিল আৱাহন যুগৰ শেষ তৰংগৰ কবি। আৱাহন যুগ হ'ল অসমীয়া ৰোমান্টিক যুগৰ দ্বিতীয় অৰ্থাৎ শেষ পৰ্ব। গতিকে দেৱকান্ত বৰুৱাদেৱক অসমীয়া ৰোমান্টিক কবিতাৰ শেষ তৰংগৰ কবি হিচাপে আখ্যা দিয়া হয়। অৱশ্যে তেওঁ আছিল আধুনিক কবিতাৰ প্ৰথম তৰংগৰ কবি। তেওঁৰ দ্বাৰা ৰচিত 'আমি দুৱাৰ মুকলি কৰো' নামৰ কবিতাই অসমীয়া আধুনিক কবিতাৰো দুৱাৰ মুকলি কৰে। সেয়েহে ৰোমান্টিক আৰু আধুনিক এই দুই যুগৰ মধ্যৱৰ্তী স্তৰৰ কবি হোৱা বাবে দেৱকান্ত বৰুৱাক অসমীয়া কাব্য জগতত 'যুগ সন্ধিৰ কবি', 'আলি দোমোজাৰ কবি আদি উপাধিৰে বিভূষিত কৰা হৈছে।

দেৱকান্ত বৰুৱা ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এগৰাকী মুক্তিযোদ্ধাও আছিল। ব্ৰিটিছ বিৰোধী আন্দোলনত জড়িত থকাৰ অপৰাধত ব্ৰিটিছ চৰকাৰে তেওঁক তিনিবাৰ জেললৈ প্ৰেৰণ কৰিছিল।

ৰাজনীতিবিদ হিচাপেও দেৱকান্ত বৰুৱাৰ ভূমিকা কোনো গুণেই কম নাছিল। তেওঁ এগৰাকী কংগ্ৰেছ কৰ্মী ৰূপে দলটোৰ উন্নয়নৰ হকে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সহযোগী সম্পাদক, সৰ্বভাৰতীয় কংগ্ৰেছ কমিটিৰ সদস্য, কংগ্ৰেছ ৱৰ্কিং কমিটিৰ সদস্য, ভাৰতীয় জাতীয় কংগ্ৰেছ কমিটিৰ সভাপতি আদি বিভিন্ন পদবীত

সেৱা আগবঢ়াইছিল । তেওঁ কংগ্ৰেছ প্ৰাৰ্থী হিচাপে ভাৰতৰ লোকসভা, ৰাজ্যসভা আৰু অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল। তেখেত ১৯৫২ চনৰ পৰা ১৯৫৭ চনলৈ লোকসভাৰ সদস্য, ১৯৫৭ চনৰ পৰা ১৯৫৯ চনলৈ অসম বিধান সভাৰ অধ্যক্ষ, ১৯৬২ চনৰ পৰা ১৯৬৬ চনলৈ অসমৰ শিক্ষা, পৰ্যটন আৰু সমবায় দপ্তৰৰ মন্ত্ৰী, ১৯৭৩ চনৰ পৰা ১৯৭৪ চনলৈ কেন্দ্ৰীয় প্ৰেট্ৰলিয়াম আৰু ৰসায়ন দপ্তৰৰ মন্ত্ৰী, ১৯৭৬ চনৰ পৰা ১৯৭৭ চনলৈ ৰাজ্যসভাৰ সদস্য, ১৯৭৭ চনত লোকসভাৰ সদস্য ৰূপে দেশ তথা ৰাজ্যলৈ সেৱা আগবঢ়ায় । আনকি তেওঁ ১৯৭১ চনৰ পৰা ১৯৭৩ চনলৈ বিহাৰৰ ৰাজ্যপাল ৰূপেও কাৰ্য নিৰ্বাহ কৰে।

অসমীয়া সংবাদ জগততো দেৱকান্ত বৰুৱাৰ অৱদান নুই কৰিব নোৱাৰি। তেখেতক অসমীয়া সাংবাদিকতাৰ বাটকটীয়া ৰূপেও অভিহিত কৰা হৈছে। তেওঁ 'দৈনিক অসমীয়া' কাকতৰ সম্পাদক আৰু ১৯৪৮ চনত প্ৰকাশিত 'নতুন অসমীয়া' সাপ্তাহিক কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰি দেশ আৰু জাতিলৈ বিশেষ সেৱাও আগবঢ়াই থৈ যায় । এইজনা প্ৰথিতযশা পুৰুষে ১৯৯৬ চনৰ ২৮ জানুৱাৰীত সকলোকে দুখ সাগৰত পেলাই শেষ নিশ্বাস ত্যাগ কৰে ।

'কলংপৰীয়া কবি' দেৱকান্ত বৰুৱাই নিজৰ যোগ্যতা আৰু প্ৰতিভাৰে অসমীয়া কাব্য জগতৰ লগতে ভাৰতীয় ৰাজনীতি জগত আৰু সংবাদ জগতলৈ বহুখিনি অৱদান আগবঢ়াই থৈ গ'ল । তেওঁৰ জন্ম জয়ন্তীয়ে আজি শত বৰ্ষ অতিক্ৰম কৰিলে অথচ তেওঁৰ ব্যক্তিত্ব আৰু কৃতিত্ব সোণালী আখৰেৰে জিলিকি আছে । এনে এগৰাকী প্ৰতিভাৱান কবি, ৰাজনীতিবিদ, সংবাদ দাতা দেৱকান্ত বৰুৱাদেৱ আজি আমাৰ মাজত নাই সঁচা; কিন্তু অসমৰ আকাশত ধ্ৰুৱ তৰাৰ দৰে চিৰদিন জ্যোতিষ্মান হৈ ৰওঁক, এয়ে আমাৰ তেওঁলৈ জন্ম শতবাৰ্ষিকীৰ শ্ৰদ্ধাঞ্জলি।

সহায়ক গ্ৰন্থপঞ্জী

১। শতাধিক অসমীয়া সাহিত্যিক - সমীন কলিতা
২। অসমীয়া কবিতা - কৰবী ডেকা হাজৰিকা
৩। কবি আৰু কবিতা - নন্দ তালুকদাৰ

❖ ❖ ❖ ❖

"এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন ভাল মানুহক হত্যা কৰা একে কথা ।" — মিল্টন



# হেম বৰুৱাৰ জীৱন আৰু সাহিত্য

✍ *পূজা বৰুৱা*

*স্নাতক চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ*

অসমীয়া কবিতাই আধুনিক বেশভূষা পৰিধান কৰাৰ সন্ধিক্ষণত আৰ্বিভাৱ ঘটা হেম বৰুৱাৰ কবিতাই অসমীয়া কাব্যপ্ৰেমীৰ মাজত এক নতুন সম্ভাৱনাৰ ইংগিত বহন কৰিবলৈ সক্ষম হৈছিল । ৰোমান্টিক কবিতাই প্ৰায় অৰ্ধশতিকা জুৰি অসমীয়া সাহিত্যত যি নিগাজী আসন দখল কৰি আহিছিল সময় তথা মানুহৰ মন আৰু মানসিকতাৰ উত্তৰণৰ লগে লগে এই শ্ৰেণীৰ কবিতা ৰসগ্ৰাহী পাঠকৰ বাবে আমনি লগা হৈ পৰিছিল । আধুনিক অসমীয়া কবিতাৰ বুনিয়াদ ৰচনা কৰাৰ ক্ষেত্ৰত অগ্ৰদূতৰ ভূমিকা পালন কৰা হেম বৰুৱাৰ ৰোমান্টিক কবিতাৰ ধাৰাটোৰ প্ৰতি এক প্ৰকাৰ অনীহা আহিছিল । এই অনীহাৰ লগতে সমান্তৰালভাৱে তেওঁ প্ৰচুৰভাৱে পাশ্চাত্য সাহিত্যৰ অধ্যয়ন আৰু বাস্তৱ জীৱনৰ বিভিন্ন দিশৰপৰা লাভ কৰা অভিজ্ঞতাৰ জুমুঠি আহৰণ কৰি আধুনিক অসমীয়া কবিতা ৰচনাৰ বাবে সমল আহৰণ কৰিছিল ।

অসমীয়া কাব্য সাহিত্যত হেম বৰুৱাৰ কবিতাত এক বিশেষ স্থান আছে । ৰাজনৈতিক, সামাজিক আদি বিভিন্ন কাৰণত অসমীয়া সাহিত্যৰ বাতাবৰণ অশান্ত হৈ পৰাৰ সময়ত হেম বৰুৱাই নব্য চেতনাৰে আধুনিক অসমীয়া কবিতাৰ ক্ষেত্ৰখনত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছিল । দ্বিতীয় বিশ্বযুদ্ধই অসমীয়া সাহিত্যৰ বাতাৱৰণত বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰিছিল। যি সময়ত দ্বিতীয় বিশ্বযুদ্ধই আমাৰ চিৰাচৰিত ভেটিটো জোকাৰি পেলাইছিল, সেইখিনি সময়তে অসমীয়া সহিত্যৰ বৃহত্তৰ উপকণ্ঠত বিদেশী সাহিত্যৰ অনেক আদৰ্শই ভীৰ দিছিলহি । হেম বৰুৱাৰ আনমন ঘটিছিল এই সময়তেই।

**হেম বৰুৱাৰ জীৱন ঃ-**

১৯১৫ চনৰ এপ্ৰিল মাহৰ ২২ তাৰিখে তেজপুৰত জন্মগ্ৰহণ কৰা হেম বৰুৱাৰ পিতৃৰ নাম আছিল বিনন্দীৰাম শৰ্মা বৰুৱা আৰু মাতৃৰ নাম আছিল পদ্মালোচনী দেৱী । ছাত্ৰাৱস্থাৰ পৰাই স্বদেশ আৰু স্বজাতিৰ মুক্তিকামী হেম বৰুৱাই ১৯৩০ চনত মহাত্মা গান্ধীৰ নেতৃত্বত সমগ্ৰ দেশ জুৰি আৰম্ভ হোৱা অসহযোগ আন্দোলনত যোগদান কৰে । ১৯৩২ চনত তেওঁ তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয় । ১৯৩৬ চনত কটন মহাবিদ্যালয়ৰ পৰা ইংৰাজীত অনাৰ্চসহ স্নাতক ডিগ্ৰী লাভ কৰি ১৯৩৮ চনত

কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজীত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৪১ চনত যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ত উপাধ্যক্ষ হিচাপে কৰ্মজীৱনৰ পাতনি মেলে। ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে জঁপিয়াই পৰি তেখেতে ১৯৪২ চনত গুৱাহাটীৰ বি. বৰুৱা মহাবিদ্যালয়ত উপাধ্যক্ষ হিচাপে যোগদান কৰে আৰু ১৯৪৫ চনত সেই কলেজৰ অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰে। প্ৰত্যক্ষ ৰাজনীতিৰ লগত জড়িত হোৱাৰ মানসেৰে তেওঁ ১৯৪৬ চনত প্ৰজা ছ'ছিয়েলিষ্ট দলত যোগদান কৰি ১৯১৫ চনত মঙ্গলদৈ লোকসভা সমষ্টিৰ পৰা সাংসদ হিচাপে নিৰ্বাচিত হয়। লোকসভাৰ মজিয়াত অসমক সবল নেতৃত্ব প্ৰদান কৰি হেম বৰুৱাই সৰ্বকালৰ বাবে এজন অতি দক্ষ সাংসদ হিচাপে ভাৰতীয় ৰাজনীতিৰ ইতিহাসত নিজৰ নাম খোদিত কৰিবলৈ সক্ষম হৈছিল। ১৯৭২ চনত অসম সাহিত্য সভাৰ ধুবুৰী অধিৱেশনত তেঁও সভাপতিৰ আসন অলংকৃত কৰিছিল।

ৰাজনীতি আৰু সাহিত্যত সমান্তৰালভাৱে পাৰদৰ্শিতা প্ৰদৰ্শন কৰি হেম বৰুৱাই ১৯৭৭ চনৰ এপ্ৰিল মাহৰ ৯ তাৰিখে মৃত্যুক আকোঁৱালি লয়।

### হেম বৰুৱাৰ কবিতা ঃ

আধুনিক অসমীয়া কবিতাৰ জন্ম পৰ্বৰ এজন অতি প্ৰভাৱশালী কবি হেম বৰুৱাৰ কবিতা সম্পূৰ্ণ আধুনিক দৃষ্টিভংগীৰে ৰচিত। বিংশ শতিকাৰ চল্লিছৰ দশকত অসমৰ সমাজ জীৱনলৈ নামি অহা বিভিন্ন পৰিৱৰ্তনে সাহিত্যৰ জগতখনকো প্ৰভাৱিত কৰিবলৈ আৰম্ভ কৰিছিল। জোনাকী জৰিয়তে অসমীয়া সাহিত্যলৈ নতুনত্বৰ ধল বোৱাই আনিবলৈ সক্ষম হোৱা ৰোমান্টিক ভাবাদৰ্শ বিংশ শতিকাৰ তৃতীয় দশকমানৰ পৰা ক্ৰমান্বয়ে স্তিমিত হ'বলৈ ধৰিলে। বিংশ শতিকাৰ চতুৰ্থ দশকত অসমীয়া ৰোমান্টিক আন্দোলনৰ গুৰি ধৰোঁতা কেইবাজনো কবি সাহিত্যিকৰ মৃত্যুৱেও এই যুগটোৰ পূৰ্বৰ গতি হ্ৰাস কৰিবলৈ আৰম্ভ কৰিলে। দুখনকৈ বিশ্বযুদ্ধই অসমৰ বিভিন্ন দিশত নানা ইতিবাচক আৰু নেতিবাচক প্ৰভাৱ পেলাইছিল। বিশেষকৈ দ্বিতীয় বিশ্বযুদ্ধই মানুহৰ মূল্যবোধকে আদি কৰি জীৱনৰ বিভিন্ন দিশত পৰিৱৰ্তনৰ জোৱাৰ আনিবলৈ সক্ষম হ'ল। মানুহে অধিক বাস্তৱমুখী হ'বলৈ আৰম্ভ কৰিলে। বিশ্ব সাহিত্যিক গভীৰভাৱে প্ৰভাৱিত কৰা বিভিন্ন চিন্তাবিদ আৰু সহিত্যিকৰ এক নতুন পৃষ্ঠভূমি নিৰ্মাণ কৰিছিল। তেনে সময়তে হেম বৰুৱাই অসমীয়া কবিতাৰ ক্ষেত্ৰখনলৈ এক নতুন বাতাৱৰণ কঢ়িয়াই আনিবলৈ প্ৰয়োগ কৰিছিল। সেই প্ৰয়াসৰ ফলশ্ৰুতিতে জন্ম হৈছিল আধুনিক অসমীয়া কবিতাৰ।

প্ৰখৰ সমাজ চেতনা, ইতিহাস চেতনা, বাস্তৱবাদী দৃষ্টিভংগী, ৰাজনৈতিক চেতনা, জীৱন সংগ্ৰাম, ৰোমান্টিক কবিসকলৰ প্ৰতি থকা বিদ্বেষ, আশাবাদ, মানৱতাৰ অপ মৃত্যু, লোক কবিতাৰ সাৰ্থক প্ৰয়োগ আদি বিভিন্ন বিশেষত্বৰে তেওঁৰ কবিতা সমুজ্জ্বল।

### হেম বৰুৱাৰ কবিতাৰ বিষয়বস্তু ঃ

হেম বৰুৱাৰ কবিতাৰ বিষয়বস্তু হৈছে

বিচিত্ৰতাৰে ভৰা । তেওঁৰ কাব্যৰাজিত মানুহৰ জীৱন সংগ্ৰামৰ পৰা আৰম্ভ কৰি প্ৰেম, আশা আদি বিভিন্ন বিষয়বস্তুৰ সমাহাৰ ঘটা দেখা যায় । ইয়াৰ লগতে সমান্তৰালভাৱে সমাজৰ সাধাৰণ শ্ৰেণীৰ মানুহৰ জীৱন যন্ত্ৰণা অতি স্পষ্টভাৱে প্ৰতিফলিত হৈছে। সমাজৰ শাসক তথা আমোলা শ্ৰেণীয়ে অতীজৰে পৰা সাধাৰণ খাটি খোৱা শ্ৰেণীটোৰ ওপৰত নানা ধৰণেৰে শোষণ আৰু দমন নীতি অব্যাহত ৰাখিছে। হেম বৰুৱাৰ কবিতাত এইবোৰ একো একোটা বিষয়বস্তু হৈ ধৰা দিছে।

হেম বৰুৱা আছিল এখন কলুষতাবিহীন নতুন সমাজ গঢ়াৰ সংকল্পৰে আগবঢ়া এজন ব্যক্তি । ব্যক্তিগত আৰু সামাজিক জীৱনতো তেওঁৰ সংস্কাৰকামী মনোভাৱ দেখা পোৱা গৈছিল। সেইবাবে তেওঁৰ প্ৰায়বোৰ কবিতাতে আশাবাদৰ ৰেঙণি প্ৰতিফলিত হৈছিল । প্ৰচলিত সমাজ-ব্যৱস্থাৰ নানান নেতিবাচক দিশ, বিজ্ঞান-প্ৰযুক্তিবিদ্যা আদিৰ নিত্য নতুন আৱিস্কাৰে মানৱ জীৱনলৈ নমাই অনা ভয়াবহতা, জ্ঞানসৰ্বস্ব জীৱনৰ পৰিৱৰ্তে অৰ্থসৰ্বস্ব জীৱনৰ প্ৰতি মানুহৰ আকৰ্ষণ আদি হেম বৰুৱাৰ ৰচনাত বিষয় বস্তু হিচাপে গ্ৰহণ কৰা দেখা যায় ।

## হেম বৰুৱাৰ সাহিত্য-গ্ৰন্থসমূহ ঃ

ৰাজনীতিৰ ব্যস্ততাপূৰ্ণ জগতখনৰ লগত জড়িত থাকিও হেম বৰুৱাই ভালেমান সাহিত্য সৃষ্টি কৰিবলৈ সক্ষম হৈছিল । যিবোৰ অসমীয়া সাহিত্যৰ বিভিন্ন দিশৰ পৰা গুৰুত্বপূৰ্ণ হিচাপে পৰৱৰ্তী সময়ত বিবেচিত হৈছে।কবিতা, ভ্ৰমণ কাহিনী, সাহিত্য সমালোচনাত্মক গ্ৰন্থ, ৰম্য ৰচনা, লোক সংস্কৃতি বিষয়ক গ্ৰন্থ তেওঁ ৰচনা কৰিছিল। তেওঁৰ গ্ৰন্থসমূহ হ'ল —

**কাব্য গ্ৰন্থ ঃ** 'বালিচন্দা' (১৯৫৯) আৰু 'মনময়ুৰী' (১৯৬৫) । এই দুখন কাব্য গ্ৰন্থৰ উপৰিও হেম বৰুৱাৰ কবিতা নামেৰে তেখেতৰ সমগ্ৰ কবিতা সংকলন এখনিও প্ৰকাশ হৈছে ।

**ভ্ৰমণ কাহিনী ঃ**

'সাগৰ দেখিছা' (১৯৫৪), 'ৰঙা কৰবীৰ ফুল' (১৯৫৯), 'ইজৰাইল' (১৯৬৫), আৰু 'মেকং নৈ দেখিলো' (১৯৬৭)।

**সাহিত্য সমালোচনাত্মক গ্ৰন্থ ঃ**

'সাহিত্য আৰু সাহিত্য', 'আধুনিক সাহিত্য', 'আঁচুফুল', 'ছিন্নমূল

**ব্যক্তিগত ৰম্য ৰচনা ঃ**

'বহাগতে পাতি যাওঁ বিয়া', 'স্মৃতিৰ পাপৰি', 'ডাক পখিলী' ইত্যাদি।

**লোক-সংস্কৃতি বিষয়ক গ্ৰন্থ ঃ**

'Fairs and Festivals of Assam', 'Folk song of India'.

**অনুবাদমূলক গ্ৰন্থ ঃ**

'কন্নকী', 'কিউপিড' আৰু 'ছাইকী' ।

**অন্যান্য গ্ৰন্থ ঃ**

'Assamese Literature', Idle Hours 'এই গাঁও এই গীত' Lakshminath Bezboruah, 'The Red River and the Blue Hills, Augurt Revolution in Aramy. আদি ।

**কাকত আলোচনী সম্পাদনা ঃ**

'পছোৱা,' 'জনতা '।

❖ ❖ ❖ ❖

# খৰাং আৰু অসমীয়া লোক বিশ্বাস

✍ নয়নমণি গগৈ
স্নাতক চতুৰ্থ যান্মাসিক, অসমীয়া বিভাগ

কৃষি প্ৰধান ৰাজ্য হিচাপে পৰিচিত অসমৰ বহু লোকবিশ্বাস কৃষিক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছে। কৃষিৰ বাবে প্ৰকৃতিৰ অৱদান বৰষুণজাক কৃষকৰ বাবে অপৰিহাৰ্য হৈ পৰে। কিন্তু কেতিয়াবা কোনো বছৰত অতিপাত বৃষ্টি নতুবা অনাবৃষ্টিৰ বাবে কৃষকৰ কৃষি কৰ্ম কৰিবৰ বাবে ব্যাপক সমস্যাৰ উদ্ভৱ হয়। সেই সমস্যাক কেন্দ্ৰ কৰি নিৰক্ষৰ অসমীয়া চহা সমাজত কেতবোৰ লোকবিশ্বাস গঢ়ি উঠিছিল। অসমৰ বিভিন্ন প্ৰান্তত লোকবিশ্বাসসমূহৰ ভিন্নতাও পৰিলক্ষিত হয়। অসমৰ সকলো ঠাইতে পালন কৰি অহা তেনে কেইটামান লোকবিশ্বাস হ'ল ঃ

ক) ঢেঁকীশালৰ ঢেঁকীটো উভালি উভোতাই পুতি থোৱা হয়।

খ) খেতিয়কসকলে কৃষি সঁজুলিসমূহ বিশেষকৈ নাঙল, যুৱলি, লেহেতি ইত্যাদি বাৰীৰ এচুকত পুতি থয়।

গ) গাঁৱৰ মহিলাসকলে নিশাৰ ভাগত একগোট হৈ যিকোনো এঘৰ মানুহৰ চোতাল নিৰ্বাচন কৰি লয়। হাঁহি-ধেমালিৰে মনোৰঞ্জনমূলক এই অনুষ্ঠানত মহিলাসকলে চোতালখনত তামোলৰ ঢকোৰা, কলপাত আদিৰে ওখ ঢাপ কৰি আকৃতিত পুখুৰী সদৃশ কৰি তাতেই জাকৈ, প'ল, জুলুকি আদি মাছ ধৰা সঁজুলিসমূহ থৈ আহে। পিছদিনা পুৱা গৃহস্থই নিজৰ ঘৰৰ চোতালত তেনেধৰণে দেখা পালে বৰষুণ হয় বুলি বিশ্বাস।

ঘ) পুৰুষেও মহিলাসকলৰ দৰে তদ্ৰুপ ব্যৱস্থাৰে মাছ ধৰা বিশেষকৈ পুৰুষে ব্যৱহাৰ কৰা সঁজুলি বিশেষ চেপা, খোকা, জুলুকি আদি থৈ আহে।

ঙ) কুমলীয়া বাঁহৰ এচটা কাটি ৰচি বান্ধি শূন্যত ঘূৰালে যি শব্দ হয় তাৰ পৰা বৰষুণ হয় বুলি বিশ্বাস। এই সঁজুলি বিধক 'ৰামধেনু' বুলি কোৱা হয়।

চ) পথাৰত খেতিয়কে আকাশলৈ টোৱাই মাৰি এডাল লৈ কোৰখন বজায়।

ছ) গৃহস্থৰ ঘৰত খাবলৈ বুলি উলিয়াই দিয়া তামোলৰ বঁটাৰ পৰা চূনৰ টেমিটো লৈ পুতি থ'লে বৰষুণ হোৱাৰ বিশ্বাস।

জ) চৰিয়াত আধাৰলৈকে পানী ভৰাই তাত খাপ খুৱাকৈ এখন কাঁহৰ কাঁহী লোৱা হয়। এহাত জোখৰ এডাল ইকৰা লৈ কাঁহীখনৰ ওপৰত আঙুলিৰে ইকৰাৰ পাব পিছফালে এটা সাংগীতিক শব্দ হয়। এই শব্দৰ পৰাও বৰষুণ হোৱাৰ বিশ্বাস প্ৰচলিত আছে।

ঝ) খৰাং বতৰত সামাজিক বিয়াৰ দৰে ভেকুলীৰ বিয়া আয়োজন কৰিলে বৰষুণ হয় বুলি বিশ্বাস কৰা হয়।

❖ ❖ ❖ ❖

# মৰাণসকলৰ ৰাতিবিহু

✍ জেউতি মৰাণ
স্নাতক চতুৰ্থ যান্মাসিক, অসমীয়া বিভাগ

ব'হাগ বিহু হৈছে মৰাণসকলৰ গতি-প্ৰকৃতি, ধৰ্ম-সংস্কৃতিৰ, আশা-নিৰাশা, শৌৰ্য-বীৰ্যৰ প্ৰধান উৎসৱ। বসন্তৰ বা লাগি উন্মনা হৈ নতুনক আদৰাৰ কেৱল হেঁপাহ।

য'ত মৰাণ সকলে চাহ পানী সিজাই খাই তাতেই চাহ পানী সিজাই খোৱা কোমলীয়া বাহৰ চুঙাৰ দুয়োমূৰ কাটি জুইত পুৰা অংশত এডাল মাৰিৰে ঢোলৰ ৰূপত বজাব পৰা ঢোতং দুডাল বা এডাল লাঠিযুক্ত বজাল বাঁহৰ কাঠিত সামান্য কাটি জেঙুপাত বা বাঁহপাত বান্ধি ডেকাই বজোৱা হুতুলিটোত কেৱল বিহু সুৰহে বিদ্যমান।

মৰাণসকলে চ'তৰ সংক্ৰান্তিৰ পৰিৱৰ্তে পূৰ্বৰ শদিয়াৰ কেঁচাইখাতী গোসাঁই শাল পৰ্ব-ৰীতিৰে অৰ্থাৎ ব'হাগৰ প্ৰথম বুধবাৰৰ পৰাহে ব'হাগ বিহু পতাৰ নিয়ম বান্ধি ৰাখিছে।

*"হেই -দিহিং নৈ পাৰতে হেলচ গছ*
*এজুপি*
*তাতে মোৰ ওমলা ঠাই*
*এইখনি গাঁৱতে তয়েচোন শুৱনি*
*তোৰে মান শুৱনি নাই"*

ৰাতি বিহু মাৰিবলৈ সত্ৰাধিকাৰ বা গাঁৱৰ বয়োজেষ্ঠসকলৰ পৰা আজ্ঞালৈ সকলো ডেকা গাভৰুৱে সেৱা লৈ বিহু নমায়। বয়োজেষ্ঠ্যসকলেও দিহামতে সাতদিন সাতৰাতি বিহুপালন কৰিবলৈ পৰামৰ্শ দিয়ে।

এই পৰম্পৰা মতে ব'হাগৰ প্ৰথম মঙ্গলবাৰত গাঁৱৰ ডেকাসকলে দুটা কোঠালি যুক্ত দুৱাৰ বেৰ নথকা ওপৰত জেঙুপাত ইত্যাদিৰে এটা বিহুঘৰ সাজি অঞ্চল-ভেদে গছতলত ৰাতি বিহু মাৰিবলৈ ঘৰে ঘৰে গৈ মাক দেউতাকৰ পৰা ছোৱালী খোজেগৈ।

মৰাণসকলৰ ৰাতি বিহু শৃংখলাবদ্ধতাৰে নিয়ন্ত্ৰিত লেহেমীয়া সুৰেৰে গহীন আৰু নৃত্য গীতেৰে পৰিপূৰ্ণ।

গাভৰু বিহুৱতীসকলে ডেকা বিহুৱাসকলক তামোল পাণৰ টোপোলাৰ লগতে বাঁহৰ টকা আগবঢ়াই বিহু খোলালৈ আহিবলৈ নিমন্ত্ৰণ জনায় লগতে ঘৰে ঘৰে গৈ

থৈ আহেগৈ তাৰো আহ্বান জনায় ।

ডেকা গাভৰুসকলে নিয়ম নীতিৰ মাজেৰে বিহুঘৰ ভাগ ভাগ ওপৰত মাৰলি বা মাটিত দিয়া চিনৰ পৰা দুৰে দুৰে থাকি জাত জাত বিহুনাম গায় নাচি বাগি বিহু পালন কৰিবলৈ থিৰাং কৰে ।

বিহুৰ নামতি সকলে এক আনন্দমুখৰ পৰিৱেশত ৰং ৰহইচৰ মাজেৰে ভক্তিপূৰ্ণ পদেৰে প্ৰকৃতিক উৰ্বৰা কৰিবলৈ মঙ্গলময় আহ্বান জনাই বিহুৰ শোভাৰম্ভ কৰে । গোটেই গাঁৱতে ডেকা গাভৰুসকল সাতদিন সাত ৰাতি বিহুৰ বান্ধোনেৰে বান্ধ খাই মতলীয়া হৈ থাকে ।

সত্ৰ বা নামঘৰৰ পৰা বিহু নমাই বিহুঘৰ বা গছতলত ডেকা-গাভৰুৱে ঘূৰি ঘূৰি গোৱা পদ -

ক) 'গেৰগোৱা পাতেৰে ঐ ৰাম
মাৰলি নাখালে যোৰা ।
গোপাল গোবিন্দাই ৰাম'

খ) 'থেৰেজু কলীয়া হ'ল ঐ খোলাতে
গধুলি হ'ল ঐ
ৰিহাৰে কাঁচলি মাৰো হালি-জালি, বহাগে
মুকলি হ'ল ঐ ।'

বিহু উৎসৱে অসমীয়া জাতিটোক উৎসাহ উদ্দীপনাৰে যিধৰণে আগবঢ়াই নিয়াত অৰিহণা যোগায় তেনে এক উৎসাহ উদ্দীপনা তথা একতাৰ ডোলেৰে বান্ধ খাই থাকি মৰাণসকলে নিজস্ব গৌৰৱোজ্জ্বল কৃষ্টি - সংস্কৃতিৰে অসমীয়া জাতি-সংস্কৃতিক জীপাল কৰি আহিছে ।

❖ ❖ ❖ ❖

"সৰু বুলি কাকো অৱহেলা নকৰিবা, তুমি সৰু বুলি ভৱা বস্তু এটাই কেতিয়াবা বিৰাট সত্যৰ সন্ধান দিব পাৰে ।" — গ্যেটে

"আদান প্ৰদান অবিহনে সমাজত জীয়াই থকাটো অসম্ভৱ ।" — ড° ছেমুৱেল জনছন

# মাজুলী

✍ জোনমনি বৰা
স্নাতক দ্বিতীয় ষান্মাসিক, অসমীয়া বিভাগ

পৃথিৱীৰ সৰ্ববৃহৎ নদীদ্বীপ মাজুলী। এই মাজুলীখনৰ পূবে টেকেলী ফুটা, পশ্চিমে আহঁতগুৰি, উত্তৰে খেৰকটীয়া আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ নদী অৱস্থিত। এয়াই হৈছে মাজুলীৰ চাৰিসীমা। মাজুলী নামটোৰ উৎপত্তিৰ কথা কবলৈ গ'লে এনেধৰণৰ হয় যে 'মা' মানে আই আৰু আৰু 'জুলী' মানে ভঁৰাল। অৰ্থাৎ আই লক্ষ্মীৰ ভঁৰাল। অন্য এটা অৰ্থত মাজুলী নামটোৰ কথা এনেদৰে ক'ব পাৰি যে মা-জনলী অৰ্থাৎ মাজালী নামৰ ৰঙা পৰুৱাৰ বাঁহ বহুত আছিল সেই পৰুৱাবোৰে মানুহক বহুত কামুৰিছিল। সেইবাবেই মাজালী পৰুৱাৰ নামৰ পৰাই মাজুলী নামটোৰ উৎপত্তি হোৱা বুলি মুখে মুখে চলি আহিছে।

সকলো মানুহৰ মুখে মুখে শুনা যায় যে মাজুলী সত্ৰৰ বাবে বিখ্যাত। সেয়ে মাজুলীক সাংস্কৃতিক প্ৰাণকেন্দ্ৰৰ স্থলী বুলিও কোৱা হয়। দেশ-বিদেশৰ পৰ্যটকেৰে উদূলি-মুদুলি হয় সত্ৰ সমাজ। মাজুলীত মূলতঃ সত্ৰ চাৰিখন আছে। তাৰ বাহিৰেও আৰু সৰু সৰু বহু সত্ৰ আছে। মূল চাৰিখন সত্ৰ হ'ল - আউনীআটী সত্ৰ, দক্ষিণপাট সত্ৰ, কমলাবাৰী সত্ৰ আৰু গড়মূৰ সত্ৰ। সত্ৰ সমাজৰ লগত সকলোৰে পৰিচিত। গহীন গম্ভীৰ, নিজান, নিস্তব্ধ পৰিৱেশেৰে আৱৰা একো একোখন সমাজ। সত্ৰ এখনৰ চাৰিওফালে থকা সীমাটোক চাৰিহাটী বুলি কোৱা হয়। কাৰণ এই চাৰিহাটীতেই থাকে সত্ৰৰ ভকতসকল। বছৰটোৰ ভিতৰত কাতি মাহত একসপ্তাহ জুৰি আউনীআটী সত্ৰত পালনাম পতা হয়। দিনত নাম কীৰ্তন আৰু ৰাতি ভাওনা প্ৰদৰ্শন কৰা হয়। ভাওনাসমূহ মাজুলীৰ বাহিৰৰ পৰা অহা দলে প্ৰদৰ্শন কৰিব পাৰে। কাৰণ এই ভাওনা প্ৰতিযোগিতামূলক। শিৱসাগৰ, যোৰহাট, ঢকুৱাখানা, ধেমাজী, চিলাপথাৰ আৰু লক্ষীমপুৰৰ দলেও অংশগ্ৰহণ কৰে। ইয়াৰ উপৰিও সত্ৰ সমাজত শ্ৰীকৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা অনুষ্ঠিত কৰে। সত্ৰ সমাজৰ ৰাসৰ এটা বিশেষত্ব হ'ল যে ইয়াৰ অভিনয়ত অকল পুৰুষৰহে স্থান আছে। মহিলাৰ স্থান নাই।

মাজুলীখন বৰ্তমান নানা জাতি - উপজাতিৰ বাসস্থান। মিচিং, কছাৰী, আহোম, চুতীয়া, দেউৰী, কৈৱৰ্ত লোকৰ বসতিস্থল।

বৰ্তমান সময়ত সকলোৱে একতাৰ ডোলাৰ বান্ধ খই একগোট হৈ আছে। আগতে এনেধৰণৰ একতা দেখিবলৈ পোৱা নগৈছিল। ব্ৰাহ্মণ - গোহাঁই আহিলে ছাঁটো গচকিব নাপায় যদিও নেদেখাকৈ গচকি যায় তেনেস্থলত প্ৰায়শ্চিত কৰিব লগা হৈছিল। মানুহৰ ঘৰত সোমালে ভালদৰে চাফ-চিকুণ কৰি বহা ঠাইডোখৰ মচি নতুন ঢাৰিত বহিছিল। চাহ-তামোল খাব লাগিলে নিজে বনাই কাটি খাইছিল। নহলে শূদ্ৰৰ ঘৰত খালে জাত যায়। বৰ্তমানে তেনে জাত-ভেদৰ কথা দেখিবলৈ পোৱা নাযায়। এই মাজুলী খনতেই মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ আৰু মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ মিলন ঘটিছিল যাক মণিকাঞ্চণ সংযোগ বুলি কোৱা হয়।

অৰ্থনৈতিক দিশৰ পৰা চাবলৈ গ'লে মাজুলীৰ মানুহৰ চৰকাৰী চাকৰি থকাৰ বাহিৰেও নিজৰ মাটি - সম্পত্তিৰে সুখেৰে জীৱন - যাপন কৰি দুবেলা - দুমুঠি খাই জীয়াই আছে। গৰু-মহ, হাঁহ, পাৰ, কুকুৰা, ছাগলী, গাহৰি আদিৰে নিজৰ বছেৰেকীয়া আয় উপাৰ্জন কৰে। পথাৰত ধান, মাহ, সৰিয়হ, ঘেহু, শাক -পাচলিৰে উভেনদী হৈ থাকে। এনেদৰেই মানুহৰ সুখৰ মাজতো বছৰত এবাৰ হলেও দুখৰ ছাঁ পৰেহি। সেয়া হ'ল ব্ৰহ্মপুত্ৰৰ ৰুদ্ৰ মূৰ্তিৰ ফলত সৃষ্টি হোৱা বানপানী। প্ৰতিবছৰে ব্ৰহ্মপুত্ৰৰ ভৰ বাৰিষাৰ পানীয়ে মথাউৰি ভাঙি বানৰ সৃষ্টি কৰে। এবাৰ দুবাৰ নহয় প্ৰতিবছৰে মাজুলীক বানৰ তলত ৰাখে। কেতিয়াবা যদি এক সপ্তাহ, কেতিয়াবা যদি পোন্ধৰ, বিশ দিন আকৌ কেতিয়াবা এমাহৰো ওপৰত। মাজুলী বাসীয়ে চকুৰ আগতে ইমান জ্বালা - যন্ত্ৰণা সহ্য কৰি জীয়াই থাকিবলৈ বাধ্য। হয়তো যিখন গাঁৱৰ মথাউৰি ভাগিব বুলি জানে তাৰ সন্মুখত গাঁৱৰ ডেকা-বুঢ়া সকলোৱে ৰাস্তাত মাটি ভৰাই যাঠি-জোং পুতি বাধা দিয়াৰ বাহিৰেতো আৰু বেলেগ বাধা দিয়াৰ উপায় নাই। তাৰ পিছতো যে ব্ৰহ্মপুত্ৰৰ পানীয়ে কাৰো বাধা নামানি মথাউৰি ভাঙি য'ত যি আছে, সকলোবোৰ এফালৰ পৰা ভাঙি ছিঙি উটুৱাই লৈ যায়। সেই সময়ত কাৰো কাৰণে অন্তৰত মৰম-চেনেহ নাজাগে। বানে মৰম - চেনেহ কি তাক চিনি নাপায়। কিমান মানুহৰ যে পথাৰত এৰাল দি থোৱা গৰু-ছাগলী, মহ, ঘোঁৰা আনিবলৈ নাপায়। সেইবোৰ বানে উটুৱাই লৈ যায়। আনকি ঘৰৰ বস্তু -বাহনিও সামৰিবলৈ ধৈৰ্য্য সীমা হেৰাই যায়। তেনেকৈয়ে বহু বস্তু উটি যায়। যাৰ ঘৰত ভঁড়াল ঘৰ নাই তেওঁলোকে বাঁহৰ চাং ঘৰ সাজি থাকিবলৈ বাধ্য। নহলে যে ব্ৰহ্মপুত্ৰৰ ৰুদ্ৰ মূৰ্তিৰ বানে তেওঁলোককো উটুৱাই লৈ যাব। মথাউৰি কাষৰ মানুহবোৰে যে সৰু সৰু জুপুৰি সাজি মথাউৰিতে দিনে ৰাতিয়ে থাকে। খাবলৈ চাউল শাক-পাচলি, ফল-মূল যোগাৰ কৰিবলৈ নোপোৱাৰ ফলত কোনোবাই হয়তো লঘোনত কোনোবাই ভীমকল সিজাই বা পুৰি খায়

জীয়াই থাকে। তাতে সৰু সৰু লৰা-ছোৱালীবোৰে ভালকৈ খাবলৈ নাপায় নানা বেমাৰ হয়।চৰকাৰৰ ঘৰৰ পৰা যিকেইটা সাহার্য আগবঢ়াই সেই কেইটাও দুদিন বা তিনিদিন মানহে খাবলৈ জোৰে। তাকো দিয়ে মানুহটোৰ প্ৰতি চাউল একাপ বা দুকাপ দাইল পঞ্চাশ গ্ৰাম বা এশ গ্ৰাম। এনেকৈ অকল চাউল দাইল খাই জানো মানুহ জীয়াই থাকিব পাৰিব। আদ বাটতে আগভেটি ধৰি খোৱা এচাম লোকটো আছেই। আহে যদি চাউল পঞ্চাশ কেজি তাৰে পশ্চিছ কেজি সেইবদমাচ মখাই লয় বাকী পশ্চিছ কেজি ৰাইজৰ। এনকৈ জ্বলা জুই অন্তৰত লৈ জীয়াই আছে বানৰ কবলত পৰা মাজুলীবাসী। বানৰ সময়ত মাজুলীবাসীৰ যান-বাহন হৈছে নাও আৰু ভুৰ। যিজনে নিজৰ বাহু বলেৰে টকা উপার্জন কৰিছে তেওঁৰ এখন নাও আছে আৰু যিজনে পৰা নাই তেওঁ ভুৰ সাজিছে। সেইজন ব্যক্তিয়ে দিন হাজিৰা কৰি এবেলা খাই আন বেলালৈ খাবৰ কাৰণে মূৰে - কপালে হাত দি ভাবি থাকে। তেওঁনো আকৌ নাওঁ সাজিব ক'ৰ পৰা ? বানপানী হৈ যোৱাৰ পিছতো কাৰ কিমান যে বেমাৰ আজাৰ হয়। কাৰোবাৰ যদি জ্বৰ-পানীলগা, কাৰোবাৰ আকৌ জণ্ডিচ, হাগনি, বমি তাতোকৈ আৰু এটা ডাঙৰ কথা যি কেইটা মানুহ জীয়াই আছে তেওঁলোকে খাবলৈ যে পথাৰত ধান-মাহ সৰিয়হ শাক-পাচলি একো নাই। এনেকৈয়ে হিয়া মূৰ ঢাকুৰি কান্দিব লগা হয় প্ৰতিবছৰে। বানৰ কবলত পৰা মাজুলীবাসী ৰাইজক চাবলৈ কাৰো সময় নাই। সকলো নিজৰ নিজৰ কামত ব্যস্ত। এনেকৈয়ে বছৰ বছৰ মাজুলী বাসী ৰাইজে চকুৰ আগতে প্ৰতিটো বানপানীক সাৰটি লৈ জীয়াই আছে। এনেকৈ প্ৰতিবছৰে বানপানী হ'লে মাজুলীৰ জানো কিবা চিন থাকিব ? কেতিয়াবা এই বানৰ কবলৰ পৰা মাজুলীবাসী উদ্ধাৰ হ'ব পাৰিবনে ? কিমান দিন আৰু দুখত জীয়াই থকিব। মাজুলী বাসীয়েনো কি ইমান ডাঙৰ পাপ কাম কৰিছিল? যাৰ বাবে সকলোৱে বাৰিষাৰ কালত চকুলো টুকিব লাগে ?

❖ ❖ ❖ ❖

> "জীয়াই থকাটোয়েই একমাত্ৰ উদ্দেশ্য নহয়, ভালদৰে জীয়াই থকাটোৱেই জীৱনৰ মূল কথা।" — এৰিষ্ট'টল

# কৰম পূজা

✍ পদ্মা গড়
স্নাতক চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

কেৱল কৰ্ম বা কোনো ধৰ্ম নকৰি মানুহে কৰ্মৰ লগে লগে ধৰ্ম আচৰণ কৰি যোৱাৰ উৎকৃষ্টতম উদাহৰণ এই 'কৰম পূজা'। কৰ্ম আৰু ধৰ্ম নামৰ দুই ভাইৰ সাধুকথাৰ বা কাহিনী অতীজত সেই কালৰ যুগ পুৰুষোত্তম শ্ৰীকৃষ্ণই আজিৰ চাহ জনগোষ্ঠীয় লোকসকলৰ পূৰ্বপুৰুষসকলৰ এলেকাত প্ৰাক দ্ৰাবিড়, দ্ৰাবিড়, প্ৰাক আৰ্য গোষ্ঠী সম্ভূত লোকসকলক শিক্ষিত আৰু সংস্কৃত কৰি তুলিবৰ কাৰণেই এই পূজা প্ৰচলন কৰিছিল। 'ৰাসলীলা'ৰ আলমত ঝুমইৰ নৃত্য-গীত যোগ দি 'কৰম ডাল'ৰ বৃক্ষ পূজাক এক সংস্কৃতিমূলক উৎসৱলৈ পৰিণত কৰি তুলিছিল। 'ঝুমুইৰ' শব্দটোৰ 'ঝম' মানে 'জুমপাতি' বা 'দলবান্ধি' আৰু 'মইৰ' মানে 'শাৰীপাতি' ঘূৰি থকা। অৰ্থাৎ 'ঝুমইৰ মানে শাৰী পাতি ঘূৰি ঘূৰি থকা।ৰাস নৃত্যৰ লগত এই নৃত্যৰ মিল আছে। ৰাতিৰ প্ৰহৰ অনুযায়ী সন্ধিয়াৰ পৰা পুৱঁতি নিশালৈকে গতি কৰাৰ লগে লগে সুৰ-তাল, লয়ৰ পৰিৱৰ্ত্তন ঘটাই উদ্দাম নৃত্য-গীতেৰে আগবঢ়াই লৈ যোৱা হয়। ঝুমইৰ নৃত্য-গীত 'বন্দনা'ৰে আৰম্ভ কৰি এজনে ডাঁড়শলীয়া ঝিংগাফুলীয়া, গে'লভৰী, ভিনচৰীয়া বা আদৰসীয়া, সোণাফুলীয়া আদি নাম গায়। গীতৰ মাজে মাজে ৰং বা 'খেমটা গীত' সংযোজন কৰা হয় আৰু বয়সস্থ বা অভ্যাগত সকলৰ বাবেও 'বৈঠক খানা ঝমইৰ' পৰিৱেশন কৰা হয়। কৰমতিসকলে 'ঝৰা তোলা' 'ডাল পোতা', 'গাড়া ভোঁতা' আদি অন্যান্য আনুষংগিক কামবোৰো নিয়াৰিকৈ কৰে। ৰামায়ণ আৰু মহাভাৰতৰ লগত সামঞ্জস্য থকা গীতসমূহৰ লগতে কৃষিকৰ্মৰ সৈতে জড়িত কৃষক-জীৱন, চাহ শ্ৰমিক বা দিন হাজিৰা কৰা শ্ৰমিকৰ দুঃখ বেদনাৰ সৈতে জড়িত শ্ৰমিক জীৱন, প্ৰেম-পীৰিতিৰ সৈতে জড়িত হৰ্ষ-বিষাদ, পোৱা-নোপোৱা, আনন্দ-বেদনা, আশা-আকাংক্ষা আৰু ছন্দ পতন ঘটা আদিৰে জড়িত অন্তৰৰ গোপন

স্থানৰ পৰা ওলাই অহা ভাব-ভাষাৰে ঝুমইৰ নৃত্য-গীত মুখৰিত হৈ থাকে। যুগ পৰিৱৰ্তনে পূজা আৰু নৃত্য-গীতত নতুন ৰহন আৰু পৰিৱৰ্তনো আনিছে।

ভাদ মাহটোক চাহ জনগোষ্ঠীৰ পূৰ্ব পুৰুষসকলে পৱিত্ৰ মাহ হিচাপে গণ্য কৰিছিল আৰু সেই ভাদ মাহটোৰ শুক্ল পক্ষৰ একাদশী তিথিৰ দিনা অৰ্থাৎ শুক্ল একাদশীত 'কৰম পূজা'ৰ আয়োজন কৰিছিল। এই মাহৰ কৰম পূজাৰ নাম আগলৈ 'জীতিয়া কৰম' ৰখা হৈছিল। এই 'জীতিয়া কৰমেই শ্ৰেষ্ঠ কৰম। আহিন মাহৰ দুৰ্গা পূজাৰ দশমী তিথিৰ দিনা অৰ্থাৎ বিজয়া দশমীত আয়োজিত কৰম পূজাৰ নাম 'বুঢ়ী কৰম' ৰখা হৈছিল আৰু আঘোণ মাহৰ পূৰ্ণিমা তিথিত পতা কৰম পূজাক 'ৰাস ঝুমুৰ' আখ্যা দিয়া হৈছিল। 'বুঢ়ী কৰম' তেতিয়াৰ যুগ পুৰুষোত্তম শ্ৰীৰামচন্দ্ৰৰ লংকা বিজয় উপলক্ষে আৰু 'ৰাস ঝুমুৰ' পিছৰ কালৰ যুগ-পুৰুষোত্তম শ্ৰীকৃষ্ণৰ ৰাসলীলা উপলক্ষে আয়োজিত। ঝুমইৰ নৃত্য-গীত কৰম পূজাৰ এক বৃহৎ অংগ 'ঝাৰা তোলা' অনুষ্ঠান কৰমতীসকলৰ বাবে এক প্ৰধান কৰণীয় কৰ্ম।

❖ ❖ ❖ ❖

"এটা ম'ৰা চৰায়ে আন এটা ম'ৰা চৰাইৰ পাখি দেখি ঈৰ্ষা কৰে বুলি মই নাভাবে। কাৰণ সকলো ম'ৰা চৰাইয়ে দৃঢ় বিশ্বাসী যে সিহঁতৰ নিজৰ নিজৰ পাখিবোৰ বেছি ধুনীয়া।"

— বাট্ৰাণ্ড ৰাছেল

"যি জনে কিছু পৰিমাণে হ'লেও আনৰ কথা নাভাবে তেওঁ জীয়াই থকাটো অৰ্থহীন।"

— মণ্টেইন

"অন্ধকাৰত অভিশাপ দিয়াতকৈ তাত এডাল ম'মবাতি জ্বলাই দিয়াটোহে প্ৰধান কাম।"

— কনফুচিয়াচ

# সপোন

✍ *গিতুমণি চেতিয়া*
*চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ*

টিমিক ঢামাককৈ জ্বলি থকা মমৰ শিখাটি হঠাৎ নুমাই গ'ল এজাক বলীয়া বা লাগি। জ্বলাব খুজিও ৰৈ গ'লো কাৰণ হাতত নাই দিয়াচলাই। কিন্তু সৌৱা কি? নাতিদূৰৈত দেখোন মম এডাল নিজে নিজে জ্বলি উঠিছে। চকুৰে মনিব পৰা পোহৰৰ মাজত চেগা-চোৰোকাকৈ সেয়ানো কি? বিচনাৰ পৰা এখোজ দুখুজকৈ নামিব খুজোঁতেই আকৌ মমডাল আন্ধাৰৰ লগত বিলীন হৈ গ'ল। তথাপিও চাই আছোঁ। অলপ দূৰৈত আকৌ মমডাল নিজে নিজে জ্বলি উঠিছে। কিন্তু একে ঠাইতে নহয়। জোনাকী পৰুৱাৰ দৰে ইফাল-সিফাল কৰি ফুৰিছে মমৰ শিখাটি। লাহে লাহে আগুৱাই গৈছোঁ, গৈয়ে আছোঁ মমৰ শিখাটিলৈ লক্ষ্য কৰি। ওচৰ পাই দেখিলোঁ স্বৰ্গৰ নন্দন বন সদৃশ ফুলনি। চাৰিওফালে কেৱল সুশোভিত ফল আৰু ফুল। ইফালে সিফালে চালোঁ কিন্তু মমৰ শিখাটি ক'তো নেদেখিলোঁ। ফুলবোৰ চুব খুজিও ৰৈ গ'লো জানোচা হেৰাই যায়। তথাপিও চুব খুজিলোঁ। হঠাৎ ফুলপাহ হেৰাই গ'ল। এইবাৰ আন এপাহ চুবলৈ বুলি হাত মেলিলোঁ ঠিক আগৰ দৰেই আঁতৰি গৈছে। তথাপিও পাছে পাছে মই গৈ আছোঁ আৰু গৈ পালোগৈ এটা নানা ৰঙৰ ফুলেৰে সজ্জিত জুপুৰি। ভিতৰলৈ সোমাই গ'লো। দেখিলোঁ পৰীসদৃশ এগৰাকী। তেওঁ সুন্দৰ বগা সাজ পিন্ধি ফুলৰ মালা গাঁঠি আছে। গম পালোঁ সেয়া বন অৰণ্যৰ ফুলৰ মহাৰাণী। তেওঁ মোক ক'লে -স্বাগতম বালিকা। আজিৰ পৰা তুমি এই মহাৰণ্যৰ নায়িকা। তাৰ পাছত কেইগৰাকীমান সৰু সৰু পৰীয়ে মোৰ হাতত তুলি দিলে দুডাল সোণৰ ঝাড়ু।

উহঃ মোৰ কি যে সৌভাগ্য! মই হ'লোহি মহাৰণ্যৰ নায়িকা। তাকে ভাবি আনন্দত মতলীয়া হৈ উৰিব খুজি দুহাত মেলি জপিয়াই দিলোঁ আৰু বিচনাৰ পৰা তললৈ ধপহকৈ পৰিলোঁ। তেতিয়াহে মোৰ সম্বিত ঘুৰি আহিল, আচলতে মই ইমান পৰে সপোনহে দেখি আছিলোঁ।

❖ ❖ ❖ ❖

# প্ৰতিবন্ধী

✍ পল্লৱজ্যোতি মৰাণ
স্নাতক দ্বিতীয় যান্মাসিক, অসমীয়া বিভাগ

চিক্‌মিক্ আন্ধাৰ। ৰাস্তাৰ কাষে কাষে বিভিন্ন পাতবোৰ মৃদু সমীৰণত হালিছে জালিছে। যেন কোনোবা অহাৰ পৰত তাক আদৰি শ্ৰদ্ধা জনাবলৈ সেই সৰাপাতবোৰে হালি জালি এটা জীৱন্তৰূপ বহন কৰিছে। হয় বহু দিনৰ মূৰত কণক গাঁৱলৈ আহিছে। বহু দিনৰ মূৰত সঁচাকৈ কিমান যে এক বুজাব নোৱাৰা আনন্দই আৱৰি ধৰিছেহি কণকক।

শৰতৰ সন্ধিয়া পূৰ্ণিমা জোনৰ ফৰিংফুটা জোনাকত সি চকী এখনতে চোতালৰ এটা চুকত বহি তেওঁ চহৰৰ দিনবোৰৰ কথা ভাবিবলৈ ধৰিলে। তাতে চোতালৰ শেৱালি জোপাৰ আমোল-মোলাই থকা গোন্ধই তাৰ নাকত বাৰুকৈয়ে চুইছে। বাৰীৰ ওখ ওখ তামোল গছৰ ছাঁবোৰে যেন চোতালত ৰোল পাৰিছে। ওচৰত থকা ভড়ালৰ ওপৰত জহা কোমোৰাৰ ৰং জোনৰ পোহৰত ফটফটীয়াকৈ ৰূপৰ দৰে জিলিকি উঠিছে। মাজে মাজে জাহ যাব খোজা জোনাকী পৰুৱাক যেন আন্ধাৰৰ পৰা তেওঁ তুলি আনিব। সঁচাকৈ কণক যেন বহু দিনৰ মূৰত ঘৰলৈ আহি অনেক সৌন্দৰ্য উপভোগ কৰিছে। বহুপৰ তেওঁ তাতে বহি গাঁওৰ ইমূৰৰ পৰা সিমূৰলৈ মানুহৰ মুখকেইখন মনত পেলাব ধৰিলে।

এনে এক ৰোমান্টিক পৰিৱেশত কণক বহি থাকিলেও যেন তেওঁক এটা প্ৰশ্নই লগ নেৰা হ'লহি। কাৰণ কণক এতিয়া ডাঙৰ হৈছে আহি পৰিছে অনেক জীৱনযুঁজ। ইমানদিনে তেওঁ বাৰু বাপেকৰ সেই অসুখীয়া দেহটোৱে উৰ্পাজন কৰা টকাৰে চলিল। কিন্তু এতিয়া তেওঁ কৰিব কি? সেই অসুখীয়া মাক বাপেকহালক তেওঁ সুখ দিব কেনেকৈ? আৰু তাৰ ভনীয়েক? মাকে ভাত খাবলৈ কণকক মাতিলে। বহুত দিনৰ মূৰত মাকে ৰন্ধা খাই বেচ জুতি পালে কণকে।

এদিন -দুদিনকৈ কণক লাহে লাহে কেইবাদিনো পাৰ কৰিছে গাঁৱত। কিন্তু কণকে নিজকে বৰ নিবনুৱা যেন অনুভৱ কৰিলে।

ক'ত কি কৰিব ? কি উৰ্পাজন কৰিব ? বহু চিন্তাই যেন কণকৰ লগ নেৰাই হ'লহি। ভালকৈ পঢ়া হ'লেও হয়তু চাকৰি বাকৰিকে কৰিলে হয়। কিন্তু বৰ্ত্তমানে যিহে প্ৰতিযোগিতাৰ যুগ। কণকে ইতিমধ্যে কেইবাটাও কামলৈ হাত মেলিছিল। কিন্তু কোনো এটা কামতে নিজক প্ৰতিষ্ঠা কৰিব পৰা নাই। ক্ৰমান্বয়ে কণক মনৰ চিন্তাতে অনাই-বনাই ঘুৰি ফুৰা হ'ল। কোনোবা তিনিআলিৰে পৰা আৰম্ভ কৰি কাৰোবাৰ দোকানে পোহাৰে তাচ পাত খেলিববলৈ আৰম্ভ কৰিলে।

লাহে লাহে কণক আৰু বেছি বেয়া পথলৈ নিজকে ঠেলি নিবলৈ আৰম্ভ কৰিলে। সেই তাচ খেলোঁতেই লগ পোৱা কোনোবা বন্ধুৰ লগত চিগাৰেটৰ পৰা আৰম্ভ কৰি মদ পান কৰিবলৈকো শিকিলে। লাহে লাহে কণক নিজকে পাহৰি পেলাবলৈ আৰম্ভ কৰিলে। দিনৰ পৰা আৰম্ভ কৰি কণক এতিয়া ৰাতি দুপৰলৈকে ঘুৰি ফুৰা হ'ল। বেচেৰা মাক-দেউতাকে কণকৰ কাণ্ডবোৰ দেখি আচৰিত হ'বলৈ ধৰিলে। তথাপি ভাবে কিবা কামত ব্যস্ত হৈছে বুলি একো নকয়। এদিন নহয় দুদিন সদায় কণক ৰাতি মাজভাগতহে ঘৰ সোমাৱা হ'লহি। কণকৰ লগত ক্ৰমান্বয়ে বিভিন্ন প্ৰকৃতিৰ মানুহ আহিব ধৰিলে। কোনোৱ গাড়ী, কোনোৱে বাইক আদি। অজলা মাক-বাপেকে ভাবে কোনোবা বৰ মানুহ তথা ব্যৱসায় বাণিজ্য প্ৰকৃতিৰ। কণকক সুধিলে কয় বিজনেছ পাৰ্টনাৰ। কণকৰ ভনীয়েক নিকু। তাই এইবাৰ দশম শ্ৰেণীত। সেয়েহে তাই ৰাতি অলপ দেৰিলৈকে পঢ়ে। কিন্তু কণক সেই কথাত অসুবিধাহে পাব ধৰিল। তথাপি দুপৰনিশা আহি ভনীয়েকক দুৱাৰ খোলাই শুবলৈ ধৰে। তাকে দেখি ভনীয়েক আচৰিত হ'ল। ভাবে যে এদিন নহয় দুদিন নহয় সদাইনো দাদা ক'ত যায় ? নিকুৱে এদিন মাকক ক'লে মা আপোনালোকে মন কৰিছানে দাদা ইমান ৰাতি ৰাতি সদায় ক'ৰ পৰা আহে ? কি কৰে? মাকে ভাবি চায় কথাটো নোহোৱা নহয়। সেইদিনা পুলিচ বিষয়া এজনো সিহঁতৰ পদূলিলৈ আহিছিল। কিবা কাণ্ড কাৰখানা কৰা নাইতো। মাকেও বাপেকক কথাটো জনালে। বাপেকৰ মনতো অনেক প্ৰশ্ন আহিবলৈ ধৰিল। সিদ্ধান্ত ল'লে আজি কণক আহক সকলো কথা বাহিৰ কৰিব। তেনেতে কোনোবাই আহি মাত লগাইছেহি। সন্মুখত পুলিচ বিষয়াজনক দেখি কণকৰ মাক-দেউতাক আচৰিত হ'ল। তেনেতে বিষয়াজনে সুধিলে "এইটো কণক চলিহাৰ ঘৰ নহয় জানো" ? পুলিচ বিষয়াজনে পুনৰ ক'লে আপোনালোক তাৰ মাক-দেউতাক নহয় জানো? প্ৰশ্নৰ উত্তৰলৈ অপেক্ষা নকৰি পুনৰ ক'বলৈ আৰম্ভ কৰিলে — আপোনালোকৰ পুত্ৰ শ্ৰী কণক চলিহা এজন ডকাইত, আমাৰ ওচৰত আপোনালোকৰ পুত্ৰ শ্ৰীকণক চলিহাৰ ওপৰত অনেকখন এজাহাৰ আছে। গতিকে আমি আপোনাৰ পুত্ৰ শ্ৰীকণক চলিহাক অতি সোনকালেই বিচাৰিছোঁ অন্যথা আমাৰ সিদ্ধান্ত

বেলেগ হ'ব বুলি কৈ পুলিচ বিষয়া জন ওলাই গ'ল । কিন্তু মাক আৰু দেউতাক যেন বজ্ৰপাত পৰাৰ দৰে থৰ লাগি ৰ'ল । ক্ষন্তেক পাছত নিকুৱে আহি দেখে মাক আৰু দেউতাকক দেখি চিঞৰি ক'লে মা আপোনালোকৰ কি হৈছে ? কি হৈছে এইবোৰ। হ'বলৈ আৰু কি আছে মাজনী। তোমাৰ দাদা এজন ডকাইত এজন পলাতক, এজন নিশাচৰ দেউতাকে আৰু বেছি ক'ব নোৱাৰিলে। সৃষ্টি হ'ল এক যন্ত্ৰনা ময় পৰিৱেশ । বহুপৰ কন্দা কটাৰ পাছত সকলো কণক ঘুৰি অহালৈ বাট চাই আছে। কিন্তু সেইদিন ধৰি কণক তিনিদিন ঘৰলৈ অহা নাই।

সিদিনা আছিল দেওবাৰ, নিশা প্ৰায় ১১ বাজিছে। ইফালে কণকৰ চিন্তাত সকলোটি সাৰে আছিল অইন দিনৰ দৰেই । তেনেতে কণকহঁতৰ ঘৰৰ পদূলিত এখন গাড়ী আহি ৰ'লহি তাকে শুনি কণকৰ দেউতাক ওলাই আহিল আৰু চাৰিজন আৰ্মিয়ে বগা কপোৰে ঢাকি কণকৰ মৃতদেহ আনি চোতালতে থলেহি। দেউতাকে দেখি চিঞৰি মৃতদেহটোৰ ওচৰলৈ দৌৰি গ'ল বোপা তই ক'ত আছিলিগৈ, মাজনী, কণকৰ মাক আহ ঐ আমাৰ কণক আহিছে, কিয় অহা নাই, আহ ঐ ওলাই আহ । মাজনী ঐ তোমাৰ দাদা আহিছে মাতাহি বুলি বহু জোৰেৰে কান্দিব ধৰিলে । মাক আৰু নিকুও আহি কান্দিবলৈ আৰম্ভ কৰিলে । মাকে অৱশ্যে কি হৈছে গমেই পোৱা নাই হয়তু এটা বিভৎস্য সপোন যেনহে লাগিছিল । তেনেতে এজন আৰক্ষী বিষয়াই দেউতাকক এখন কাগজ দিলে । কাগজখন দেউতাকে কণকৰ মৃতদেহৰ ওপৰতে থৈ ডাঙৰ ডাঙৰকৈ পঢ়িবলৈ আৰম্ভ কৰিলে । তাকে দেখি আৰক্ষী বিষয়াকেইজনে দেউতাকক ধৰি কণকৰ পৰা আঁতৰাই আনিবলৈ চেষ্টা কৰিল । মাক ইতিমধ্যে কান্দোনত মূৰ্চা গ'ল । বেচেৰী নিকুজনীও একো ভাবিবই পৰা নাই । কান্দোনৰ চিঞৰ শুনি ওচৰৰ ভালেখিনি মানুহ গোট খালেহি । ক্ষন্তেক পাছতেই আৰক্ষী বিষয়াকেইজন ওলাই গ'ল কণকৰ দেউতাক ওচৰৰ মানুহবোৰক চিঞৰি চিঞৰি ক'বলৈ ধৰিল। এইয়া মোৰ একমাত্ৰ পুত্ৰ কণক চলিহা। এওঁ এজন ডকাইত, এজন নিশাচৰ। তাকে দেখি ওচৰৰ কেইবাজন মানুহে বাপেকক সাৰটি ধৰিলে ।

❖ ❖ ❖ ❖


"ধন হেৰালে একোৱেই নেহেৰায়, স্বাস্থ্য হেৰালে সম্পদ হেৰায়, কিন্তু চৰিত্ৰ হেৰালে সকলোখিনি হেৰায় ।" — ছক্ৰেটিছ

# ঈশ্বৰ

সীমান্ত বৰদলৈ
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
ডিগবৈ মহাবিদ্যালয়

ঈশ্বৰ এদিন পৃথিৱীলৈ নামি আহিছিল।

'তোমালোকৰ বাবেই মই পৃথিৱীখন সৃষ্টি কৰিলোঁ
তোমালোকৰ বাবেই মই তোমালোকক সৃষ্টি কৰিলোঁ
তোমালোকৰ মঙ্গলৰ বাবেই মই তোমালোকৰ ওচৰলৈ আহিলোঁ
আৰু তোমালোকৰ মঙ্গলৰ বাবেই মই পৃথিৱীৰ পৰা গুচি যাম
তোমালোক কুশলে থাকা'— এই বুলি কৈ ঈশ্বৰ অন্তৰ্ধান হ'ল
তেতিয়াৰ পৰাই ঈশ্বৰক কোনেও দেখা নাই।
গুজৱ উঠিল ঈশ্বৰৰ মৃত্যু হ'ল।



ঈশ্বৰ হৈ পৰিল বীজগণিতৰ এটা সূত্ৰ
ঈশ্বৰ কাৰোবাৰ বাবে ধনী হোৱাৰ সহজ বাট
ঈশ্বৰহীনতাত কোনোবাজন হ'ল অন্ধ, কোনোবাজন হ'ল কোঙা
আৰু কোনোবাজন হ'ল খোৰা
মুঠতে আমি কুশলে আছোঁ।


সম্প্ৰতি ঈশ্বৰেৰে ভৰি পৰিছে পৃথিৱী
হাতে হাতে মাৰণাস্ত্ৰ লৈ ঈশ্বৰবোৰে পিয়াপি দি ফুৰে
সিহঁতে জন্ম দিব পাৰে, হত্যাও কৰিব পাৰে
সেইবাবেই সিহঁত হেনো ঈশ্বৰ
হজৰত মহম্মদ, যীশু, কৃষ্ণ সিহঁতৰ বাবে ধৰ্মগ্ৰন্থৰ ধূসৰিত পৃষ্ঠা।
তেঁওলোকৰ ভাষ্য— জাতিদ্ৰোহীতাৰ দোষত তেঁওলোকক বিহপান কৰোৱা হ'ল
ক্ৰুছত দিয়া হ'ল, শৰবিদ্ধ কৰা হ'ল

ঈশ্বৰত্বৰ বাবে ঈশ্বৰবোৰে ঈশ্বৰক হত্যা কৰিলে
আজিৰ ঈশ্বৰ ক্ৰুৰ, নিষ্ঠুৰ
সিহঁতৰ নিজা জাতি আছে,
ভাষা আছে, ধৰ্ম আছে,
আইন আছে, বিচাৰ আছে।

হেৰৌ, ৰক্তপায়ী ঈশ্বৰ
ঈশ্বৰত্বৰ বাবে তহঁতকো এদিন কবৰ দিয়া হ'ব,
ক্ৰুছত দিয়া হ'ব, চিতাত তুলি দিয়া হ'ব অভিসম্পিত শৱদেহ
আকৌ এবাৰ প্ৰমাণিত হ'ব পৃথিৱী ঘূৰণীয়া
জীৱন ঘূৰণীয়া আৰু ঈশ্বৰ...।

# আহাঁ সমনীয়া যাওঁ আমি পোহৰ বিচাৰি

গিতুমণি চেতিয়া
স্নাতক চতুৰ্থ যান্মাসিক, অসমীয়া বিভাগ




এখন দুখনকৈ আন্ধাৰ প্ৰাচীৰ ভেদি
আহিছোঁ আজি পোহৰৰ বাট বিচাৰি
সপোন ৰাজ্য তোমাৰ কাষলৈ
দিবা জ্ঞানৰ সন্ধান
বিচাৰিম তোমাতে মোৰ
সোণালী সপোনৰ কাৰেং
সেয়ে মূৰ দোঁৱাই তোমাক
দুহাতে জনাইছোঁ মোৰ শতকোটি প্ৰণাম
প্ৰণাম মোৰ নব্য জ্ঞানৰ মন্দিৰ প্ৰণাম।
সৌ দূৰণিৰ কুলি-কেতেকীৰ মৌ-মিঠা মাতেৰে
তোমাৰ বিজয়ৰ উল্লাসত মতলীয়া হৈ
কাণে কাণে আহি বাৰে বাৰে কৈ যায়
"সপোন ৰাজ্যত বিচৰণ কৰা"
সেয়ে দূৰ-দূৰণিৰ পৰা
হাজাৰ বাধা বিঘিনিকো নেওঁচি
আহিছোঁ তোমাৰ কাষলৈ হেঁপাহেৰে
পোহৰৰ সন্ধান কৰিবলৈ বুলি।
আমি বহুজাতি যেন
আহোম, কোঁচ, কছাৰী, মৰাণ, মটক
ডফলা, খামটি, নেপালী, চুতিয়া
সকলোৰ হাতত হাত থৈ
খোজত খোজ মিলাই
নতুনত্বক সন্ধান কৰিম
সকলো জাতি, ধৰ্মক একতাৰ ডোলেৰে বান্ধি
ডাৱৰহীন এখনি মুকলি আকাশৰ তলত
সুৰত সুৰ মিলাই, একেলগে গাই যাম
তোমাৰ বিজয়োল্লাসৰ বাণী।
জীৱনৰ কঠিন সাগৰত, অনুভৱৰ নৌকা মেলি
জীৱন যুঁজত জয়ী হ'ব বিচাৰোঁ
দিবানে বাৰু জ্ঞানৰ মন্দিৰ তুমি
দুহাত মেলি পোহৰৰ বাট দেখুৱাই
কৰিবানে মোৰ সোণালী সপোন
বাস্তৱত ৰূপায়িত
দিবানে ভুলপথ শুধৰাই
সেয়ে বুকুত অযুত আশাভৰা স্বপ্ন লৈ
আহিছোঁ পোহৰৰ সন্ধান কৰিবলৈ
তোমাৰ কাষলৈ,
জ্ঞানৰ মন্দিৰ
সৌ দূৰণিৰ পৰা।

# তোমাক হেৰুৱাৰ বেদনাত

করবী ডেকা
প্ৰাক্তন ছাত্ৰী, অসমীয়া বিভাগ

কিবা পালোঁ, কিবা হেৰুৱালোঁ
তোমাক ভাল পোৱা যাতনাৰে
দুহাতৰ সপোন সজালোঁ।
আজিয়েই যাবাগৈ তুমি
ঘূৰি আহি কেতিয়াও নাপাওঁহি লগ
ঋতুৱে যেনেকৈ নাপায় ঋতুক
ময়োতো তোমাক নাপাওঁহি লগ।
যাঁও বুলিয়েই তুমি
এই শোকার্ত সময়ৰ আন্ধাৰত
মোক নিঠৰুৱাকৈ এৰি গৈছা।
তোমাৰ সোঁৱৰণীয়ে আহি
ছিঙি নিছে মোৰ চকুৰ পৰা
থোপা থুপে টোপনিবোৰ
তোমাক হেৰুৱা বেদনাৰে ।



# ৰক্ত কেতেকী

শ্যামল হাজৰিকা
স্নাতক দ্বিতীয় ষান্মাসিক অসমীয়া বিভাগ

শুনিছোঁ তোমাৰ বোলে বেমাৰ
অচিন বেমাৰ
মৃত্যুলৈ মাথোঁ কেইটামান মুহূৰ্ত
কবিৰাজে কয়,
উৎকৃষ্ট কেতেকীৰ ৰেণু ।
মোৰ লগত ব'লাচোন
বাৰীৰ পাছফালে মোৰ এজোপা কেতেকী আছে
নুফুলে শৰত কালত ।
মই কুলি, কেতেকীৰ দৰে
ইনাই-বিনাই কান্দিম
বজাম ঢোল-পেঁপা
নাচিম, গাম; বসন্তৰ গান ।
যেতিয়া ভাগৰি পৰিম
কেতেকীৰ ছাঁত জিৰাম
কেতেকীৰ কাঁইটে মোক বিন্ধি পেলাব
মোৰ দেহৰ তেজেৰে
ক্ষন্তেকতে এপাহ কেতেকী ফুলিব । তুমি গাত
কেতেকীৰ ৰেণু সানি ল'বা ।
মই কেতেকী জোপাৰ পৰা মাটিত পৰি ৰ'ম
তুমি মোক বুকুৰ মৰম যাচিবা
মই প্ৰাণ পাই উঠিম ।

# ডিগবৈ মহাবিদ্যালয়

✍ *অজয় আচাৰ্য্য*
*স্নাতক চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ*



হে ডিগবৈ মহাবিদ্যালয়
তুমি তৈলনগৰী ডিগবৈৰ
উচ্চ জ্ঞানৰ আলয়।
জন্মৰ সোণালী বৰ্ষত ভৰি দিলা
অথচ
প্ৰকৃতিৰ ৰম্য কাননত
অসমৰ এটি উচ্চ শিক্ষানুষ্ঠানৰূপে
জিলিকি আছা আৰু চিৰদিন জিলিকি থাকিবা ।

তোমাৰ কোলাত শত শত সন্তানে
সাৰ পাই উঠিল আৰু উঠিব উচ্চ জ্ঞানৰ কিৰণেৰে
ক'ত মহান মহান গুৰুৰ চৰণত ।

তুমি শত জনৰ প্ৰগতিৰ যাত্ৰী
তুমি শত জনৰ জীৱন দাত্ৰী
তুমি চিৰদিন ধীৰ, স্থিৰ, শান্তিময় ।

মচি দিলা নিজ আঁচলেৰে
কত বিদ্যাৰ্থীৰ চকুলোঁ
মাতৃৰূপে কোলাত সাৰটি
দেখুৱাই দিলা বাট জীৱন অগ্ৰগতিৰ ।

কি নাই তোমাৰ
আছে কত মহান মহান গুৰু
যি বিলায় সন্তানক জ্ঞানৰ জেউতি
কি নাই তোমাৰ

আছে গ্ৰন্থাগাৰ, পৰীক্ষাগাৰ
ভাষা সাহিত্যৰ অন্বেষণৰ দ্বাৰ
আৰু ক্ৰীড়া সংস্কৃতিৰ বিকাশৰ সাৰ ।

হে ডিগবৈ মহাবিদ্যালয়
তোমাৰ মহিমা অপাৰ ।
তোমাৰ চৰণত সাৰ পাই উঠক
শত শত উচ্চ শিক্ষিত মানৱ সম্পদ
যি জগাব এদিন শুই থকা জনতাক
মাতিব মাত দুৰ্নীতি, হিংসা, হত্যা, ধৰ্ষণ
আৰু কত অমানৱীয় কাৰ্যকলাপৰ বিৰুদ্ধে ।

# জীৱনৰ বাটত

প্ৰাঞ্জল দেউৰী
স্নাতক ষষ্ঠ যান্মাসিক, অসমীয়া বিভাগ

নহয় মই এজন কবি
তথাপি বুটলি আনিছোঁ পদূলিৰ ধূলি
বিচাৰিছোঁ মাথোঁ এটা কবিতাৰ আঁত
বিচাৰি যাওঁ মোৰ জীৱনৰ পোহৰ
বাটত লগ পাওঁ কিবা ধূলিৰ ধুমুহা
আঁতৰিব খুজিও আঁতৰিব নোৱাৰো

জীৱনৰ এই অমাৱস্যা ৰাতি, বিচাৰোঁ বহুতো
হয়তো পাওঁ, কিন্তু এইবোৰ
হৈ পৰে মাথোঁ এটা সপোনৰ দৰে
পাইছোঁ কি ?
এই অমাৱস্যাৰ আন্ধাৰত তথাপি বিচাৰি গৈছোঁ
এই আন্ধাৰ ৰাতি
কিবা ৰশ্মিৰ অন্বেষণত হয়তো বাধা পৰে
মোৰ এই জীৱন পথত
তথাপিও মই হতাশ নহওঁ
মই যুজিব বিচাৰোঁ আন্ধাৰৰ বিপক্ষে
মই নিবিচাৰোঁ পৰাজয়
মাথোঁ বিচাৰি ফুৰিছোঁ কিবা হেঁপাহত
জীৱনৰ এই কালছোৱাত, পাঁও বহুতো
ঘাত আৰু প্ৰতিঘাতৰ নাম
তথাপিও মই বিচাৰোঁ জয়
এই ঘাত আৰু প্ৰতিঘাতৰ হেঁপাহত
মাথোঁ বিচাৰোঁ অকণমান পোহৰ
মাথোঁ বিচাৰোঁ
এই জীৱনৰ বাটৰ
ঘাত আৰু প্ৰতিঘাতৰ
পৰিণাম...



# শিল

পদ্মা গড়
স্নাতক চতুৰ্থ যান্মাসিক, অসমীয়া বিভাগ

শিলৰ দৰে নিৰস কথাৰে
পুতি পেলোৱা
প্ৰেমৰ শিপা
প্ৰতিটো কথাৰ আখৰে আখৰে
অহংকাৰৰ আলতীয়া মাটি
নগলা কথা চুহি
মোৰ জিভাখন শিল হৈ পৰিছে
জনা নাছিলোঁ
সকলো কথাকে সুৰ দি
কৰিব নোৱাৰি সুৰীয়া গীত ।

# মই নাৰী এই শতিকাৰ

চিলামনি ৰাজবংশী
স্নাতক ষষ্ঠ যান্মাসিক, অসমীয়া বিভাগ

মই নাৰী এই শতিকাৰ
সভ্যতাৰ শিখৰত
প্ৰজ্জ্বলিত এচাতি পোহৰৰ
সন্ধান বিচাৰি
এখোজ দুখোজকৈ আগবাঢ়ি যাওঁ
খোজে খোজে মই বাধাহে পাওঁ
সকলো বাধা থান-বান কৰি
মই যাব খোজোঁ সাহসেৰে আগবাঢ়ি
সকলো নাৰীক দিব খোজোঁ
এই শতিকাৰ দুখৰ পৰা মুক্তি
পোহৰাই তুলিব খোজোঁ নাৰী জীৱনৰ চাকি
ৰাখিব বিচাৰোঁ সোণৰ অসমত
নাৰীৰ মুখৰ সুন্দৰ হাঁহি।




# মোৰ প্ৰেমৰ নমুনা

বিকাশ ডেকা মৰাণ
স্নাতক ষষ্ঠ যান্মাসিক অসমীয়া বিভাগ

তামাক পোৰাৰ কি দুৰ্বাৰ তৃষ্ণা আছিল
নিষ্ঠুৰ সময়ৰ সোঁতত
সকলো এৰি দিলোঁ
মোৰ প্ৰতিটো আশাৰ টোপোলা।
শূন্যতাৰ নিচাৰ নিদ্ৰাত শুই শুই
মই আজি নিসংগতাত মাতাল
অশ্ৰুহীন বেদনাৰে ভৰপূৰ প্ৰতিটো ৰাতি
জোনাকসিদ্ধ তোমাৰ চকুযুৰিয়ে
পোহৰ বিলাব নোৱাৰেচোন।
অনুভৱত চিঞৰিছিলোঁ
তুমিহীনতাত পূৰ্ণতা নাই
মোৰ কল্পনাৰ কাৰেং ঘৰটোৰ
অনুভৱৰ পাকচক্ৰত ঘূৰ্ণীয়মান
উদঙীয়া উন্মনা মনত স্তব্ধতাৰ ছাঁ পৰিছিল।
সোঁৱৰণিৰ বিষাদৰ পূৰ্ণ পৃষ্ঠাবোৰ
খুলি চোৱাৰ আৰু হেঁপাহ নাই।
কিন্তু নষ্টালজিয়াৰ জুইৰ দপ্‌দপনিত
হাহাকাৰ কৰি উঠে মন
বিচাৰি ফুৰোঁ, কোমলতাই গ্ৰাস কৰা
তোমাৰ অহংকাৰপূৰ্ণ মুখখনি।

# স্ৰোতস্বিনীৰ শংকা

✍ অঞ্জুমণি মৰাণ
স্নাতক চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ



অবিশ্ৰান্ত নৈখনিৰ গতিক
ৰুধিব পৰা নাই
কোনেও ।
মাথোঁ বৈ আছে,
অবিৰাম গতিত ।
নৈখনিৰ গতি দীঘলীয়া
সুঁতি সলাব পাৰে নৈখনে ।
ভয় হয়, জানোচা
নৈখনি
শুকাই কৰ্‌কৰীয়া হয় ।

নৈখনে নুবুজে তাৰ
গভীৰতাক ।
নুবুজে মৰুময় পথিকেও
উপলব্ধি .... ।
মাথোঁ, উপলব্ধি কৰে ।

নীলাভ নৈখনিৰ বুকুৰ মাজেৰে
পাখি কোবাই উৰি যোৱা
শৰালি হাঁহৰ
পাখিৰ শব্দৰ দৰে,
অনুভৱ হয় নৈখনিৰ
কুলু কুলু শব্দ ।
চকু মেলি দেখোঁ
কেউফালে নিৰৱ নিস্তব্ধ ।

যি নদীৰ বিচাৰিলোঁ
মনৰ গভীৰতাৰে
বলীয়া জোৱাৰে তাৰ
পাৰ ভাঙি নিলে ।

এই বলীয়া জোৱাৰ ...
আহি গুচি যাব পুনৰ,
অহা বাটে ।

নৈখনে বান্ধিব পুনৰ
নিজৰ পাৰ,
নাবান্ধে কঁৰাল ইয়াৰ
বুকুত ।
পৰিপূৰ্ণ থাকিব পানী..
শংকা নাই
নৈখনে, সুঁতি সলোৱাৰ ।

# অসমৰ কেইগৰাকীমান বিশিষ্ট কবি সাহিত্যকৰ ছদ্মনাম

- ড° বাণীকান্ত কাকতি - ভৱানন্দ পাঠক
- ড° সূৰ্যকুমাৰ ভূঞা - ভানুনন্দন
- ড° বিৰিঞ্চি কুমাৰ বৰুৱা - ৰাস্না বৰুৱা, বীণা বৰুৱা
- ড° ভবেন্দ্ৰ নাথ শইকীয়া - সঞ্জয়
- ড° হীৰেন গোহাঁই - নিৰঞ্জন ফুকন
- ড° নিৰ্মল প্ৰভা বৰদলৈ - নীলা বাইদেউ
- ড° নগেন দত্ত - এণ্ডি খুড়া
- লক্ষ্মীনাথ বেজবৰুৱা - কৃপাবৰ বৰবৰুৱা
- ইন্দিৰা গোস্বামী - মামনি ৰয়চম গোস্বামী
- প্ৰমোদ তামুলী - শান্তনু তামুলী, মৌচাক মামা
- নৱকান্ত বৰুৱা - সীমা দত্ত
- বিনন্দ চন্দ্ৰ বৰুৱা - চিত্ৰা বৰুৱা
- অমূল্য বৰুৱা - বেদনা বৰুৱা
- চৈয়দ আব্দুল মালিক - অজগৰ
- অতুল চন্দ্ৰ হাজৰিকা - দদাই
- সত্যনাথ বৰা - এজন অসমীয়া
- বেণুধৰ শৰ্মা - বিহগুটি বৰা
- প্ৰবীন ফুকন - খনিকৰ
- পাৰ্বতী প্ৰসাদ বৰুৱা - হয়ভৰ অভয়পুৰীয়া
- ভুৱন মোহন বৰুৱা - কাঞ্চন বৰুৱা
- ভবানন্দ দত্ত - নচিকেতা
- মহিম বৰা - ধনবৰ কাই
- ইমৰাণ শ্বাহ - ঈশান দত্ত / কুম্ভকৰ্ণ
- সুৰেন্দ্ৰনাথ মেধি - সৌৰভ কুমাৰ চলিহা
- তীৰ্থনাথ শৰ্মা - নিৰ্মলা দেবী
- ৰেৱতীমোহন দত্ত চৌধুৰী - শীলভদ্ৰ
- গুনাভিৰাম বৰুৱা - গুৰু দত্ত
- বিষ্ণু প্ৰসাদ ৰাভা - বিষ্ণুপ্ৰিয়া ৰাভ ঠাকুৰীয়া

## অসমীয়া বিভাগৰ শিক্ষকসকল


পূৰ্ণানন্দ শইকীয়া
জ্যেষ্ঠ অধ্যাপক


দীপা শৰ্মা বৰঠাকুৰ
বিভাগীয় প্ৰধান


ড° মৃণাল কুমাৰ গগৈ
অধ্যাপক


অচ্যুত শইকীয়া
অধ্যাপক


সীমান্ত বৰদলৈ
সহঃ অধ্যাপক

## সম্পাদনা সমিতি


অজয় আচাৰ্য্য
সম্পাদক


নয়নমণি গগৈ
সম্পাদক


পদ্মা গড়
সদস্য


পূজা বৰুৱা
সদস্য


জেউতি মৰাণ
সদস্য

## অসমীয়া বিভাগৰ কেইটামান স্মৰণীয় মুহূৰ্ত


শিক্ষক দিৱস উদ্‌যাপন - ২০১৪


অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকল


শিক্ষক দিৱস উপলক্ষে উন্মোচিত প্ৰাচীৰ প্ৰত্ৰিকা - ২০১৪


মহাবিদ্যালয় সপ্তাহত (তৃতীয় পুৰস্কাৰপ্ৰাপ্ত) উন্মোচিত প্ৰাচীৰ প্ৰত্ৰিকা-২০১৫

**Golden Jubilee Year**

**সোণালী জয়ন্তী বৰ্ষ**

15July, 2014-15July, 2015 • ১৫ জুলাই, ২০১৪-১৫ জুলাই, ২০১৫

**DIGBOI COLLEGE** ডিগবৈ মহাবিদ্যালয়